1991
PRINTED AT THE ASSAM GOVT. PRESS,
GUWAHATI-21

REFERENCE
( NOT FOR ISSUE )
READING ONLY INSIDE LIBRARY

সত্যমেৱ জয়তে

# বাজেট বক্তৃতা

## ১৯৯১-৯২

৯ চেপ্টেম্বৰ, ১৯৯১

শ্ৰীহিতেশ্বৰ শইকীয়া
মুখ্যমন্ত্ৰী, অসম

REFERENCE,
( NOT FOR ISSUE )
READING ONLY INSIDE LIBRARY

মাননীয় অধ্যক্ষ মহোদয়,

এই পবিত্র সদনত ১৯৯১-৯২ চনৰ বাজেট প্ৰাক্কলন দাঙি ধৰিবলৈ পাই মই আনন্দ পাইছো।

ৰাজ্যৰ অৰ্থনীতি

আগৰ কেইবছৰৰ তুলনাত ১৯৯০-৯১ চনৰ বছৰটোত ৰাজ্যখনৰ সামগ্ৰিক অৰ্থনৈতিক অৱস্থা সামান্য পৰিমাণে উন্নত আছিল। বৰষুণৰ পৰিমাণ ভালেখিনি অনুকূল হোৱাৰ বাবে আৰু বৰ ভয়াবহ ধৰণে বানপানীও নোহোৱাৰ সুবিধাত বছৰটোত শীতকালীন, গ্ৰীষ্মকালীন আৰু শৰৎকালীন ধানৰ উৎপাদন চাউলৰ হিচাপত আগৰ বছৰৰ ২৭.৯৬ লাখ টনৰ বিপৰীতে ৩২.৭৫ লাখ টন হয়গৈ। বছৰটোত মৰাপাট, সৰিয়হ আৰু আলুৰ উৎপাদনো সন্তোষজনক ভাবে বৃদ্ধি পায়। পিছে সামগ্ৰিক ভাবে গোটেইখন দেশৰ লগত তুলনা কৰি চালে ৰাজ্যখনৰ কৃষিখণ্ডৰ উন্নতিয়ে সন্তোষ নোপজায়। ১৯৮৭-৮৮ আৰু ১৯৮৯-৯০ চনৰ বছৰ দুটাত সামগ্ৰিক ভাবে দেশৰ ১৫১.৩ আৰু ১৮৬ৰ বিপৰীতে ৰাজ্যখনত কৃষি উৎপাদনৰ সূচী আছিল যথাক্ৰমে ১৫৪.৪৪ আৰু ১৫৬ (ভিত্তি ১৯৬৯-৭০ = ১০০)। ঔদ্যোগিক আৰু খনিজ উৎপাদনৰ দিশত খাৰুৱা তেল, পেট্ৰলজাত সামগ্ৰী, কয়লা আৰু প্ৰাকৃতিক গেচৰ দৰে গুৰুত্বপূৰ্ণ সামগ্ৰীৰ উৎপাদন ১৯৯০ চনত ভালেখিনি কমি আহিছিল। অৱশ্যে চেনি, সৰিয়হ তেল, মৰাপাটৰ সামগ্ৰী আৰু কাগজৰ লেখীয়া কেইটামান সৰু-সুৰা খণ্ডত উৎপাদনৰ পৰিমাণ বঢ়াৰ বাবে সেই বছৰত ঔদ্যোগিক উৎপাদনৰ সূচী ১৯৮৯ চনৰ ১৮৪ৰ পৰা ১৯৯০ চনত ১৮৯ লৈ (ভিত্তি ১৯৭০ = ১০০) সামান্য পৰিমাণে বাঢ়িছিল। তথাপিও ই ৰাষ্ট্ৰীয় পৰ্যায়ৰ বৃদ্ধিৰ তুলনাত

তেনেই কম আছিল। সামগ্ৰিক ভাবে দেশখনৰ ঔদ্যোগিক উৎপাদন সূচী ১৯৮৯-৯০ চনৰ ১৯৬.৪ৰ পৰা ১৯৯০-৯১ চনত ২১২.৯ লৈ (ভিত্তি ১৯৮০-৮১ = ১০০) বৃদ্ধি পাইছিল।

ৰাজ্যিক ঘৰুৱা উৎপাদন

দ্ৰুত হিচাপমতে চলিত মূল্যত ১৯৮৮-৮৯ চনৰ ৬৫৬৩.২৩ কোটি টকাৰ পৰা শুদ্ধ ৰাজ্যিক ঘৰুৱা উৎপাদন ১৭.৩ শতাংশ হাৰত বাঢ়ি ১৯৮৯-৯০ চনত ৭৬৯৮.৭৪ কোটি টকা হয়গৈ। স্থিৰ মূল্যত (১৯৮০-৮১ চনৰ) হিচাপ কৰিলে এই পৰিমাণ ১৯৮৮-৮৯ চনৰ ৩৫৯০.২৫ কোটি টকাৰ পৰা ১১.৩ শতাংশ হাৰত বাঢ়ি ১৯৮৯-৯০ চনত ৩৯৯৬.৪৫ কোটি টকা হয়গৈ। একেছোৱা সময়ত চলিত মূল্যত জনমূৰি ৰাজ্যিক ঘৰুৱা উৎপাদনো ১৪.৬ শতাংশ হাৰত ১৯৮৮-৮৯ চনৰ ২৭৭২ টকাৰ পৰা ১৯৮৯-৯০ চনত ৩১৭৮ টকালৈ বৃদ্ধি পায়। স্থিৰ মূল্যত ( ১৯৮০-৮১ ) ইয়াৰ পৰিমাণ ১৯৮৮-৮৯ চনৰ ১৫১৬ টকাৰ পৰা ৮.৮ শতাংশ হাৰত বাঢ়ি ১৯৮৯-৯০ চনত ১৬৫০ টকা হয়গৈ। চলিত মূল্যত সামগ্ৰিক ভাবে দেশখনত জনমূৰি আয় ১৯৮৮-৮৯ চনৰ ৩৮৭৫ টকাৰ পৰা বাঢ়ি ১৯৮৯-৯০ চনত ৪২৫২ টকা হয়গৈ।

মূল্য পৰিস্থিতি

ৰাজ্যখনত সাধাৰণ ভাবে মূল্যমানৰ ওপৰত হেঁচা পৰিয়েই আছিল আৰু ১৯৮৯ ৰ তুলনাত ১৯৯০ চনলৈ পাইকাৰী মূল্যসূচী ১০.৯ শতাংশৰ বিপুল হাৰত বাঢ়ি গৈছিল। একেদৰেই গ্ৰাহক মূল্য সূচীও ১৯৮৯ৰ তুলনাত ১৯৯০ চনলৈ ৬.৮ শতাংশ হাৰত বাঢ়িছিল।

১৯৯১-৯২ চনৰ বাৰ্ষিক পৰিকল্পনা

এই পবিত্ৰ সদনক জনাবলৈ পাই মই সুখী হৈছো যে ১৯৯১-৯২ চনত ৰাজ্যখনৰ বাৰ্ষিক পৰিকল্পনাৰ বাবদ ৮০৫ কোটি টকা ধাৰ্য্য কৰা হৈছে। ই ১৯৯০-৯১ চনৰ ৬৭৫ কোটি টকাৰ পৰিকল্পনাৰ তুলনাত শতকৰা ১৯.২৫ ভাগ বেছি। পাৰ্বত্য পৰিকল্পনা, জন-জাতীয় উপ-পৰিকল্পনা আৰু অনুসূচীত জাতিৰ সংযোগী পৰিকল্পনাৰ ক্ষেত্ৰতো নিৰ্দ্ধাৰণ কৰা টকাৰ পৰিমাণ ভালেখিনি বঢ়োৱা হৈছে। পাৰ্বত্য পৰিকল্পনাৰ বাবদ ১৯৯০-৯১ চনৰ ৪৭.৯০ কোটি টকাৰ পৰা ১৯৯১-৯২ চনৰ বাবে ৫৬.৪৮ কোটি টকালৈ বৃদ্ধি কৰা হৈছে। একেদৰে জনজাতীয় উপ-পৰিকল্পনাৰ ক্ষেত্ৰতো যোৱা বছৰৰ ৬৮.৫০ কোটি

টকাৰ পৰা ৭৯.৭৯ কোটি টকালৈ আৰু অনুসূচীত জাতিৰ সংযোগী পৰিকল্পনাৰ বেলিকা ৪২.১২ কোটি টকালৈ বৃদ্ধি কৰা হৈছে। চূড়ান্ত সিদ্ধান্ত সাপেক্ষে সংযোগী বিশেষ কেন্দ্ৰীয় সাহায্যৰ জৰিয়তে পাৰ্বত্য পৰিকল্পনা, জনজাতীয় উপ-পৰিকল্পনা আৰু অনুসূচীত জাতিৰ সংযোগী পৰিকল্পনাৰ নিৰ্দ্ধাৰিত ব্যয়ৰ পৰিমাণ ক্ৰমে ৪০.৬৬ কোটি, ১০.২৬ কোটি আৰু ২.৩১ কোটি টকাকৈ আৰু বাঢ়িব বুলি হিচাপত ধৰা হৈছে। এই গোটেই পৰিকল্পনাৰ ব্যয় সম্পূৰ্ণভাবে কেন্দ্ৰই বহন কৰিব। ৰাজ্যিক পৰিকল্পনাৰ বাবে ধাৰ্য্য কৰা ৮০৫ কোটি কেন্দ্ৰীয় সাহায্যৰ ৫০.২৩ কোটি টকা হ'ল নৱম বিত্ত আয়োগে অনুমোদন কৰা ৰাজহ পৰিকল্পনা মঞ্জুৰী। বাকীখিনি ৰাষ্ট্ৰীয় উন্নয়ন পৰিষদে অনুমোদন কৰা মতে শতকৰা ৯০ ভাগ মঞ্জুৰী হিচাপে আৰু দহভাগ ঋণ হিচাপে কেন্দ্ৰই আগবঢ়াব।

পৰিকল্পনা নীতি

ৰাজ্যিক পৰিকল্পনাৰ অধীনত শক্তি খণ্ডত সৰ্বোচ্চ অগ্ৰাধিকাৰ দিয়া হৈছে। আৰু ইয়াৰ বাবে মুঠ পৰিকল্পনা ব্যয়ৰ শতকৰা ২৪.৭০ ভাগ অৰ্থাৎ ১৯০.৮০ কোটি টকা ধৰা হৈছে। ইয়াৰ পিচতেই অগ্ৰাধিকাৰ দিয়া হৈছে সামাজিক সেৱা খণ্ডত। মুঠ পৰিকল্পনা ব্যয়ৰ শতকৰা ২২.৯৬ ভাগ অৰ্থাৎ ১৮৪.৪৮ কোটি টকা এই খণ্ডৰ বাবে নিৰ্দ্ধাৰণ কৰা হৈছে। কৃষি আৰু আনুষঙ্গিক খণ্ডৰ বাবে ১২০ কোটি (১৪.৯%) আৰু জলসিঞ্চন তথা বান-নিয়ন্ত্ৰণৰ বাবে ১০৫.২৫ কোটি (১৩.০৭%) টকা নিৰূপণ কৰা হৈছে।

গ্ৰামোন্নয়ন

দাৰিদ্ৰ্য সীমাৰেখাৰ তলত জীৱন নিৰ্বাহ কৰা দুখীয়া গাওঁবাসী ৰাইজৰ অৱস্থাৰ উন্নতি সাধনেই হ'ল গ্ৰামোন্নয়ন আঁচনি সমূহৰ মুখ্য উদ্দেশ্য। কৃষি, ক্ষুদ্ৰ-উদ্যোগ, পৰিবহন আৰু যোগাযোগ তথা স্বাস্থ্য সেৱাৰ সামগ্ৰিক উন্নয়নৰ জৰিয়তে গাওঁবাসী ৰাইজৰ জীৱন আৰু অৱস্থা উন্নত কৰাটোৱেই হব আমাৰ লক্ষ্য। এই কাৰ্য্যই গাওঁবাসী ৰাইজৰ চহৰ অভিমুখে হোৱা ব্যাপক প্ৰব্ৰজন ফলপ্ৰসূ ভাবে ৰোধ কৰাৰ লগতে প্ৰব্ৰজনৰ সোঁত বিপৰীতমুখী কৰি চহৰ অঞ্চলত জনসংখ্যাৰ হেঁচা কমাব। সম্প্ৰতি সংহত গ্ৰাম্য বিকাশ আঁচনি আৰু

জৱাহৰ ৰোজগাৰ যোজনা নামৰ দাৰিদ্র্য দূৰীকৰণৰ ঘাই আঁচনি দুখনেই গাওঁ উন্নয়ন কাৰ্য্যসূচী সমূহৰ মূল কাৰ্য্যসূচী।

সংহত গ্ৰাম্য বিকাশ আঁচনিৰ উদ্দেশ্য হ'ল চিনাক্ত কৰি লোৱা পৰিয়াল বৰ্গক সাহায্যমূলক আনুষ্ঠানিক বিত্তীয় ঋণ সহায়েৰে কাৰ্য্যক্ষম আঁচনিৰ যোগেদি আত্মনিয়োগৰ ব্যৱস্থা কৰি দিয়া। যোৱা বছৰটোত ৫০,৩৪৫ টা পৰিয়ালক এনে সাহায্য দিয়া হৈছে আৰু ১১.৭১ কোটি টকাৰ অৰ্থ সাহায্য বিতৰণ কৰা হয়।

পূৰ্বৰ এন, আৰ, ই, পি, আৰু আৰ, এল, ই, জি, পি, নামৰ আচনি দুখন একেলগ কৰি জৱাহৰ ৰোজগাৰ যোজনাখন কৰা হৈছে। এই আচনিৰ মূল উদ্দেশ্য হ'ল, দিন মজুৰিৰ ভিত্তিত কৰ্ম সংস্থান সৃষ্টি কৰি স্থায়ী সমূহীয়া সম্পদ গঢ়ি তোলা। যোৱা বছৰত প্ৰায় ৫৬ কোটি টকা ব্যয় কৰি ১২৬ লাখ শ্ৰম দিনৰ নিয়োগ সৃষ্টি কৰা হৈছিল। এনেদৰে গঢ়ি. তোলা সমূহীয়া সম্পদৰ ভিতৰত আছে ৯৩৫ টা স্কুলঘৰ, ২২০৮ কিঃমিঃ দৈৰ্ঘ্যৰ গ্ৰাম্য সংযোগী পথ, ৫৭৫ টা স্বাস্থ্য সন্মত গ্ৰাম্য শৌচাগাৰ আৰু ২২৯৯ টা 'ইন্দিৰা আবাস যোজনা'ৰ থকাঘৰ।

তদুপৰি ট্ৰাইচেম আঁচনিৰ অধীনত গ্ৰাম্য নিবনুৱা যুৱকৰ কাৰণে আত্মনিযুক্তিৰ সা-সুবিধা আগবঢ়োৱা হৈছে। গ্ৰাম্যাঞ্চলৰ মহিলা আৰু শিশু বিকাশ আঁচনিৰ ( DWCRA) অধীনত গাওঁ অঞ্চলৰ মহিলা আৰু শিশু সকলৰ বিকাশতো বিশেষ গুৰুত্ব আৰোপ কৰা হয়। প্ৰতিখন জিলা/ জিলা পৰিষদৰ এলেকাত ১০ লাখ টকাকৈ খৰচ কৰি একোখন আদৰ্শ গাওঁ গঢ়ি. তোলাৰ আঁচনি চলিত বছৰৰ পৰিকল্পনাত সন্নিবিষ্ট কৰাটো হ'ল এইবাৰৰ গ্ৰামোন্নয়ন আঁচনিৰ এক উজ্জ্বল দিশ।

সমবায়

ৰাজ্যখনত সমবায় আন্দোলন ব্যাপক আৰু শক্তিশালী কৰি তোলাটো চৰকাৰৰ এক প্ৰধান প্ৰচেষ্টা হ'ব। ১৯৯১-৯২ চনৰ ৰাজ্যিক পৰিকল্পনাত সমবায় ক্ষেত্ৰত অনুমোদিত ধনৰ পৰিমাণ ১১.০৩ কোটি টকা। তদুপৰি জনজাতীয় উপ-পৰিকল্পনাৰ কাৰণে ৪০ লাখ

টকাৰ বিশেষ কেন্দ্ৰীয় সাহায্যৰ লগতে সমবায় খণ্ডত নিয়োগ সৃষ্টিৰ আচঁনিৰ বাবে অতিৰিক্ত ২.৭০ কোটি টকাৰ আবন্টন দিয়া হৈছে। কৃষি কেন্দ্ৰিক আচঁনি আৰু সমবায় ঋণদান ব্যৱস্থাৰ উন্নতিৰ ওপৰত আৰোপ কৰা গুৰুত্বৰ প্ৰতি লক্ষ ৰাখি মজুতকৰণ ব্যৱস্থা আৰু পণ্যাগাৰৰ কাৰণে তথা কৃষি বিত্তীয় প্ৰতিষ্ঠান সমূহত বিনিয়োগৰ কাৰণে ৬২ লাখ টকা আচুতীয়াকৈ ধাৰ্য্য কৰা হৈছে। চলিত বছৰত ১৩.২৪ কোটি টকা ব্যয়েৰে ষ্টেটফেডে ইয়াৰ বনস্পতি প্ৰকল্পটোৰ ৬২.৫ টি পি টিৰ পৰা ১২৫ টি পি টি লৈ প্ৰসাৰণৰ কাম সম্পূৰ্ণ কৰিব বুলি আশা কৰা হৈছে।

বন

ৰাষ্ট্ৰীয় নীতি হিচাপে গৃহীত হোৱা বন সংৰক্ষণ আৰু পাৰিপাৰ্শ্বিক ভাৰসাম্য ৰক্ষাৰ আন্তৰ্জাতিক চিন্তাৰ পৰিপ্ৰেক্ষিতত বনভূমিক ৰাজহ উপাৰ্জনৰ এক প্ৰধান সমল হিচাপে গণ্য কৰাটো অন্ততঃ সদ্যহতে বন্ধ হৈছে। এই সাধাৰণ উপলব্ধিৰ আধাৰতে চলিত বছৰটোত গভীৰ আৰু বিস্তৃত ভাবে বনাঞ্চল প্ৰসাৰণত গুৰুত্ব আৰোপ কৰা হ'ব। ছন পৰা মাটিত বৃক্ষৰোপন কৰা, অধিক পৰিমাণে সমূহীয়া এলেকা আৰু চৰকাৰী পটিত মাটি বৃক্ষৰোপণেৰে সামৰি লোৱা, ব্যক্তিগত বৃক্ষৰোপণত উদগনি দিয়া, অনুসূচীত জাতি আৰু জনজাতিৰ কল্যাণৰ বাবে ব্যৱস্থা গ্ৰহণ এই ক্ষেত্ৰত লোৱা ব্যৱস্থাৰ কেতবোৰ অংগ হব। বন্যপ্ৰাণী সংৰক্ষণৰ ক্ষেত্ৰত বন্যপ্ৰাণীৰ সামগ্ৰিক উন্নতি সাধন আৰু ৰক্ষণাবেক্ষন নীতিৰ অঙ্গ হিচাপে অতুলনীয় আৰু বিপন্ন প্ৰজাতি সমূহৰ সুৰক্ষাত গুৰুত্ব দিয়া হ'ব।

এই খণ্ডৰ বাবে চলিত বছৰৰ পৰিকল্পনাত ২২.৩৩ কোটি টকা ধৰা হৈছে। চলিত বছৰৰ আচঁনি সমূহৰ ভিতৰত আছে ৫.১৫ কোটি হেক্টৰ মাটিত বৃক্ষৰোপণ, এটা বন সুৰক্ষা বাহিনী গঠণ, বনগাওঁ সমূহৰ গাঠনিগত তথা অন্যান্য সা-সুবিধাৰ উন্নতি সাধন আৰু টেলি-সংযোগৰ এটা ব্যৱস্থা গঢ়ি তোলা আদি।

ভূমি ৰাজহ আৰু ভূমি নীতি

ভূমি ৰাজহ সংগ্ৰহ কম-বেছি পৰিমাণে স্থবিৰ আৰু সামগ্ৰিক প্ৰয়োজনৰ তুলনাত বথখিনি কম হৈ আছে। উপৰ্য্যুপৰি অহা

প্ৰবল বানপানীয়েই ৰাজহ সংগ্ৰহ কম হোৱাৰ কাৰণ বুলি ধৰা হয়। আনহাতে জনসংখ্যা বৃদ্ধি, ঔদ্যোগীকৰণ আৰু প্ৰাকৃতিক দুৰ্যোগ আদিৰ ফলস্বৰূপে বৰ্ত্তমানে ব্যৱহাৰ কৰিব পৰা ভূমিখণ্ডৰ ওপৰত হেঁচা অধিক বাঢ়ি গৈছে। ৰাজ্যখনৰ দ্ৰুত উন্নয়ন আৰু সমাজৰ দুৰ্বল শ্ৰেণীৰ স্বাৰ্থৰক্ষাৰ বিবেচনাত সকলো শ্ৰেণীৰ ভূমিৰ সমবিতৰণ আৰু যথোচিত ব্যৱহাৰ সুনিশ্চিত কৰাটো চৰকাৰৰ প্ৰচেষ্টা হ'ব। এনেবোৰ উদ্দেশ্য আগত ৰাখি ১৯৯১-৯২ চনৰ বাৰ্ষিক পৰিকল্পনাত ১১,৯২০ টা পৰিয়ালক নূন্যতম প্ৰয়োজন আঁচনিৰ অধীনত ঘৰ সজা মাটি দিব পৰাকৈ আৰ্থিক সাহায্য দিবলৈ ২.৯৮ কোটি টকাৰ আবন্টন ৰখা হৈছে। এইবাৰৰ বাৰ্ষিক পৰিকল্পনাত চৰ অঞ্চলৰ জৰীপৰ নতুন আঁচনি এখনো অন্তৰ্ভূক্ত কৰা হৈছে। ৰাজহ সংগ্ৰহ ব্যৱস্থা সুষম কৰিবলৈ আৰু ভূমি ৰাজহৰ নথি-পত্ৰৰ আধুনিকীকৰণৰ বাবে শোণিতপুৰ জিলাত কম্পিউটাৰৰ ব্যৱহাৰ আৰম্ভ কৰা হৈছে আৰু বৰ্ত্তমানৰ পট্টা সমূহৰ ঠাইত পৰ্য্যায়ক্ৰমে পাছবুকত পট্টা দিয়া হ'ব।

বান নিয়ন্ত্ৰণ

বানপানীৰ ফলত হোৱা জীৱন আৰু সম্পত্তি নাশৰ বিৱৰণ আৰু বান নিয়ন্ত্ৰণৰ বাবে বিস্তৃত ব্যৱস্থাৰ প্ৰয়োজনৰ ওপৰত এই পবিত্ৰ সদনত বহুবাৰ আলোকপাত কৰা হৈছে। চলিত বছৰতো মে' মাহত বৰাক উপত্যকাত আৰু ৰাজ্যৰ বাকী অংশত জুলাই মাহত হোৱা বানপানীত ৪০ লাখৰো অধিক লোক ক্ষতিগ্ৰস্ত হয়, ৮০ জন লোকে প্ৰাণ হেৰুৱায়, হেজাৰ হেজাৰ ঘৰ-বাৰী, ব্যাপক পৰিমাণৰ খেতি-পথাৰ আৰু ৰাজহুৱা সম্পত্তি বিনষ্ট হয়। ব্যাপক হাৰত নিয়মীয়াকৈ হোৱা এনে ক্ষতিৰ ভাৰ বহন কৰিবলৈ ৰাজ্যখনৰ বিত্তীয় অৱস্থা অপাৰগ। ৰাজ্যখনৰ সীমিত বিত্তীয় ক্ষমতাৰে দুৰ্দ্দশাগ্ৰস্ত লোকসকলক সাহায্য দান দিয়া হৈছে যদিও কাৰ্য্যকৰীভাৱে বানপানী ৰোধ কৰিবৰ কাৰণে লগা ব্যৱস্থা লোৱাটো ৰাজ্য চৰকাৰৰ শক্তি আৰু সামৰ্থ্যৰ বাহিৰত। সেই কাৰণে ব্ৰহ্মপুত্ৰ আৰু বৰাক অববাহিকাৰ বাবে ব্ৰহ্মপুত্ৰ ব'ৰ্ডে প্ৰস্তুত কৰি দাখিল কৰা মাষ্টাৰ প্লান খৰতকীয়াভাৱে ৰূপায়ণ কৰিবৰ কাৰণে পুঁজি দিবলৈ কেন্দ্ৰক সৈমান কৰাটোতেই ৰাজ্য চৰকাৰে সৰ্বোচ্চ অগ্ৰাধিকাৰ দিব। চলিত বছৰটোত দুৰ্যোগ সাহায্য পুঁজিৰ পৰা বান সাহায্যৰ বাবে সৰ্বমুঠ ১৫.৮৫ কোটি টকা খৰচ কৰা হয়।

১৯৯১-৯২ বছৰৰ পৰিকল্পনাত বান নিয়ন্ত্ৰণৰ শিতানত সাধাৰণ অঞ্চলৰ বাবে থকা ১৩.৯২ কোটি টকা আৰু পাৰ্বত্য এলেকাৰ বাবে থকা ৭৫ লাখ টকা কিছুমান নতুন মথাউৰি নিৰ্মাণ, ভূমিস্খলন ৰোধ কৰা, নলা-নৰ্দমা খন্দা আৰু বৰ্ত্তমানে থকা কেতবোৰ মথাউৰি মজবুত কৰিবৰ বাবে ব্যয় কৰিবলৈ প্ৰস্তাৱ কৰা হৈছে। ইয়াৰ ফলত ০.০৪ লাখ হেকটৰ পৰিমাণৰ অঞ্চল উপকৃত হ'ব। কেইটামান নতুন মথাউৰি নিৰ্মাণ, নতুন সুৰক্ষা ব্যৱস্থা আৰু স্লুইচ নিৰ্মাণৰ বাবে ২৫ কোটি মান টকাৰ কেন্দ্ৰীয় ঋণ সাহায্য আশা কৰা হৈছে। ইয়াৰ দ্বাৰা ০.০৯ লাখ হেকটৰ অঞ্চল উপকৃত হ'ব।

শিক্ষা

শিক্ষাৰ ক্ষেত্ৰত নিৰক্ষৰতা দূৰীকৰণৰ লক্ষ্য আগত ৰাখি হাতত লোৱা আনুষ্ঠানিক আৰু অনানুষ্ঠানিক উভয় বিধৰ শিক্ষা আঁচনিত ল'ৰা-ছোৱালী তথা বিভিন্ন বয়সৰ অন্যান্য শ্ৰেণীৰ লোকৰ বাবে শিক্ষাৰ সা-সুবিধা আগবঢ়োৱাই হ'ব আমাৰ প্ৰচেষ্টা। ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ লগত সামঞ্জস্য ৰাখি শিক্ষাৰ সামগ্ৰিক মানৰ উন্নয়ন আৰু ইয়াৰ আধুনিকীকৰণত অগ্ৰাধিকাৰ দিয়া হ'ব। সকলো প্ৰাথমিক বিদ্যালয়লৈ বিনামূলীয়া পাঠ্যপুথি আৰু সা-সজুলিৰ যোগান, জলপানী দান, অনুসূচীত জাতি আৰু জনজাতিৰ ছাত্ৰ-ছাত্ৰীৰ বাবে বিশেষ জলপানীৰ ব্যৱস্থাৰে উদগণি দিয়া তথা প্ৰাথমিক বিদ্যালয়ৰ মেধাৱী শিক্ষকক পুৰস্কাৰ প্ৰদান আদিয়েও অগ্ৰাধিকাৰ পাই থাকিব। ১৯৯০-৯১ চনৰ ৭২.৯৫ কোটি টকাৰ পৰা ১৯৯১-৯২ চনত পৰিকল্পনাৰ ধন ৮৮.২৭ কোটি টকালৈ বৃদ্ধি কৰি মাধ্যমিক পৰ্য্যায়ৰ বৃত্তিগত আৰু বিজ্ঞান শিক্ষাৰ আঁচনি অধিক ব্যাপক কৰি তোলা হ'ব।

কলা আৰু সংস্কৃতি

অসমৰ জনজাতীয় কৃষ্টি, লোক আৰু পৰম্পৰাগত নৃত্য-গীতৰ সংৰক্ষণ আৰু প্ৰচাৰত যথাযোগ্য গুৰুত্ব আৰোপ কৰি ৰাজ্যখনৰ কলা-সংস্কৃতিৰ বিকাশৰ অৰ্থে বিভিন্ন আঁচনি ৰূপায়ণ কৰা হ'ব। আমাৰ চহকী সাংস্কৃতিক ঐতিহ্যৰ সংৰক্ষণ আৰু ৰক্ষণাবেক্ষণৰ কাৰণে পুথি প্ৰকাশ, গীত-মাত বাণীবদ্ধকৰণ, তথ্যচিত্ৰ নিৰ্মাণ আদিৰ কামো ইয়াৰ ভিতৰত সামৰি লোৱা হ'ব। পৰম্পৰৰ সংস্কৃতিৰ লগত ঘনিষ্ঠ পৰিচিতিৰ

উদ্দেশ্যে ৰাজ্যখনৰ বাহিৰে ভিতৰে অধিক সঘনাই সাংস্কৃতিক দলৰ আদান-প্ৰদানত উৎসাহ দিয়া হ'ব।

স্বাস্থ্য

প্ৰতিখন জিলা আৰু প্ৰতিখন মহকুমা সদৰত ক্ৰমে একোখনকৈ ২০০ খন আৰু ১০০ খন বিছনাযুক্ত চিকিৎসালয় স্থাপনৰ প্ৰয়োজন। চলিত বছৰত বিশ্বনাথ চাৰিআলিত ১০০ খন বিছনাযুক্ত এখন চিকিৎসালয় মুকলি কৰাৰ প্ৰস্তাৱ কৰা হৈছে। ইয়াৰ উপৰিও আৰু ৪ খন ১০০ খন বিছনাযুক্ত আৰু ৭ খন ২০০ বিছনাযুক্ত চিকিৎসালয়ৰ বাবে ঘৰ নিৰ্মাণৰ কাম এই বছৰতে হাতত লোৱা হ'ব। লগতে ডিফু আৰু হাফলঙৰ ১০০ বিছনাযুক্ত চিকিৎসালয় দুখনক ২০০ বিছনাযুক্ত কৰা হ'ব। গ্ৰাম্য স্বাস্থ্য সেৱাৰ ক্ষেত্ৰত থকা গুৰুত্ব অব্যাহত ৰখা হ'ব। গাওঁ অঞ্চলত পাৰ্বত্য জিলা দুখনত ১০ টাকে ধৰি মুঠ ৫০ টা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আৰু একেদৰে পাৰ্বত্য জিলাত এটাকে ধৰি দহোটা সমূহীয়া স্বাস্থ্য কেন্দ্ৰ পতাৰো প্ৰস্তাৱ কৰা হৈছে। মেলেৰিয়া, যক্ষ্মা, কুষ্ঠ, আদি সোঁচৰা ব্যাধিৰ নিয়ন্ত্ৰণ আৰু দৃষ্টিহীনতা নিবাৰণ আদি ৰাষ্ট্ৰীয় কাৰ্য্যসূচী ৰূপায়ণত অধিক গুৰুত্ব আৰোপ কৰা হ'ব। স্বাস্থ্য শিতানত পৰিকল্পনা ব্যয় ১৯৯০-৯১ চনৰ ২৭.৯০ কোটি টকাৰ পৰা ১৯৯১-৯২ চনৰ বছৰটোত ৩০.১০ কোটি টকালৈ বৃদ্ধি কৰিবলৈ প্ৰস্তাৱ কৰা হৈছে।

উদ্যোগ

উদ্যোগ খণ্ডত স্ব-নিয়োজনৰ যোগেদি পৰ্য্যাপ্ত পৰিমাণে নিয়োগৰ সুবিধা সৃষ্টি কৰাৰ উপৰিও ৰাজ্যখনৰ ক্ষিপ্ৰ ঔদ্যোগীকৰণৰ প্ৰতি দৃষ্টি ৰাখি চৰকাৰে নতুন উদ্যোগ নীতি, ১৯৯১ ৰচনা কৰিছে। স্থানীয় নাটনি, পাৰিপাৰ্শ্বিকতা আৰু স্থানীয় ভাৱে পাব পৰা কেঁচামালৰ ভেটিত উদ্যোগৰ বিকাশ আৰু বিস্তাৰেই নতুন উদ্যোগ নীতিৰ লক্ষ্য। বিগত বছৰটোত ২৭৪৬টা ক্ষুদ্ৰ উদ্যোগ গোট স্থাপন কৰা হৈছিল আৰু ইয়াৰ জৰিয়তে ১১,৩১৫ জন লোকৰ কৰ্মসংস্থান ওলাইছিল। ইয়াৰ বিপৰীতে চলিত বছৰত ১৬,৮০০ জনৰ নিয়োগ সম্ভাৱনাৰে ২৮০০ টা গোট স্থাপনৰ লক্ষ্য ৰখা হৈছে। হস্ত শিল্পৰ খণ্ডত ১৯৯০-৯১ বৰ্ষত ৬১৫৮ গৰাকী কাৰুশিল্পীৰ নিয়োগৰ ব্যবস্থাৰে ২২০১ টা কাৰু শিল্প ভিত্তিক গোট স্থাপন কৰা হৈছিল।

১৯৯১-৯২ চনৰ লক্ষ্য হৈছে ২৩,৭০০ জনৰ নিয়োগ সম্ভাবনাৰে ২৪০০ টা গোট স্থাপন কৰা। ঔদ্যোগীকৰণৰ ক্ষেত্ৰত মৌলিক গাথনিগত সা-সুবিধা সৃষ্টিৰ দিশত প্ৰধান গুৰুত্ব দিয়া হৈছে। আৰু এই উদ্দেশ্য পূৰণৰ হকে গাথনিগত উন্নয়ন নিগম স্থাপন কৰাৰ ব্যৱস্থাও হাতত লোৱা হৈছে। ডিগবৈত এখন নতুন ঔদ্যোগিক পাম স্থাপনৰ কথা বিবেচনা কৰি থকা হৈছে। এভাৰেষ্ট চাইকেল লিমিটেডক এখন পূৰ্ণাংগ প্লাষ্টিক ঔদ্যোগিক পামলৈ ৰূপান্তৰিত কৰাৰ বিষয়টোও বিবেচনাধীন হৈ আছে। ৩০ কোটি টকাকৈ আনুমানিক ব্যয়ত দুটা গ্ৰুপ চেন্টাৰ পতাৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ অনুমোদন পোৱা হৈছে। ঔদ্যোগীকৰণৰ ক্ৰমবৰ্দ্ধমান কাম সম্পন্ন কৰাৰ উদ্দেশ্যে ১৯৯০-৯১ চনৰ ৫৬.৩২ কোটি টকাৰ ঠাইত ১৯৯১-৯২ চনত ৬৩.৩৫ কোটি টকা ধৰা হৈছে।

পিছপৰা সম্প্ৰদায়ৰ কল্যাণ

অসমৰ চাহ-জনজাতি আৰু প্ৰাক্তন চাহ-জনজাতিকে ধৰি অন্যান্য পিছপৰা সম্প্ৰদায়, অনুসূচীত জাতি আৰু ভৈয়ামৰ জনজাতীয় সম্প্ৰদায়ৰ লোক সকলৰ খৰতকীয়া আৰ্থ-সামাজিক উন্নয়নৰ বাবে চৰকাৰে বিশেষ মনোযোগ দি আহিছে। বৰ্ত্তমান বিত্তীয় বছৰৰ বাজেটত ৰাজ্যিক পৰিকল্পনাৰ বাবে ধাৰ্য্য কৰা ধনৰ ৭৯.৭৯ কোটি টকা আৰু বিশেষ কেন্দ্ৰীয় সাহায্যৰ অন্য ১০.২৬ কোটি টকা জনজাতীয় উপ-পৰিকল্পনাত নিৰ্দ্ধাৰণ কৰিবলৈ প্ৰস্তাৱ কৰা হৈছে। চলিত বিত্তীয় বছৰটোত অনুসূচীত জাতিৰ বাবে বিশেষ সংযোগী পৰিকল্পনাৰ অধীনত প্ৰস্তাৱিত বাজেট ব্যৱস্থা হ'ল ৰাজ্যিক পৰিকল্পনাৰ ধনৰ পৰা ৪৮.২১ কোটি টকা আৰু বিশেষ কেন্দ্ৰীয় সাহায্যৰ পৰা ২.৪১ কোটি টকা। সামাজিক সেৱাৰ ক্ষেত্ৰত প্ৰাথমিক স্বাস্থ্যসেৱা, খোৱা পানী যোগান আৰু বিশেষকৈ অনুসূচীত জাতি আৰু জনজাতিৰ বাবে প্ৰাথমিক শিক্ষাকে ধৰি শিক্ষাৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিয়া হৈছে। অনুসূচীত জাতি, জনজাতি আৰু চাহ বনুৱা আৰু প্ৰাক্তন চাহ বনুৱা সম্প্ৰদায়কে ধৰি অন্যান্য পিছপৰা সম্প্ৰদায়ৰ পৰিয়ালক

আৰু বিশেষকৈ তেওঁলোকৰ ভিতৰত দাৰিদ্ৰ্য সীমাৰেখাৰ তলত থকা সকলক আত্ম-নিয়োজনৰ ক্ষেত্ৰত অধিকতৰ গুৰুত্ব দিয়া হব।

নিয়োগ

ৰাজ্যখনত ক্ৰমবৰ্দ্ধমান নিবনুৱা সমস্যাটো এতিয়াও অতিশয় উদ্বেগৰ কাৰণ হৈ আছে। আৰু সেয়ে, বৰ্ত্তমান চৰকাৰে দায়িত্বভাৰ লোৱাৰে পৰা ই চৰকাৰৰ মনোযোগ অধিকাৰ কৰি আহিছে। নিয়োগ সম্ভাৱনা সৃষ্টিয়ে জনসংখ্যা বৃদ্ধি আৰু শিক্ষাৰ প্ৰসাৰৰ লগত ভাৰসাম্য ৰাখিব পৰা নাই। দৰাচলতে এফালে যেতিয়া সংস্থান প্ৰাৰ্থীৰ সংখ্যা বাঢ়ি গৈ আছে, আনহাতে তেনেকৈয়ে এতিয়ালৈকে হাতত পৰা শেহতীয়া তথ্যমতে ১৯৮৯-৯০ চনৰ ভিতৰত সংগঠিত খণ্ডত নিয়োজিত লোকৰ মুঠ সংখ্যা কমিহে গৈছিল। ৰাজ্যৰ নিয়োগ বিনিময় কেন্দ্ৰৰ চলিত পঞ্জীত কৰ্মপ্ৰাৰ্থীৰ সংখ্যা ১৯৮৯ চনৰ ৯.৭৭ লাখৰ পৰা ১৯৯০ চনৰ জুলাই মাহলৈকে ১০.২১ লাখলৈ বৃদ্ধি পায়। আনহাতে ৰাজ্যখনৰ ৰাজহুৱা আৰু ব্যক্তিগত দুয়োবিধৰ সংগঠিত খণ্ডত মুঠ নিয়োগৰ সংখ্যা ১৯৮৯ চনৰ মাৰ্চ মাহৰ ৯.৯৫ লাখৰ বিপৰীতে ১৯৯০ চনৰ মাৰ্চ মাহত আছিল মাত্ৰ ৯.৮৮ লাখহে। ইয়াৰ এটা অতিশয় উদ্বেগজনক দিশ হ'ল এয়ে যে কৰ্মপ্ৰাৰ্থী সকলৰ ৫৭ শতাংশই আছিল শিক্ষিত নিবনুৱা। এটা নিৰ্দ্ধাৰিত সময়ৰ ভিতৰতে সকলো নিবনুৱা লোকৰ সংস্থান নিশ্চিত কৰিবলৈ চৰকাৰ বদ্ধপৰিকৰ।

চুক্তি ৰূপায়ণ

১৯৮৫ চনৰ অসম চুক্তিখনৰ ৰূপায়ণে অগ্ৰাধিকাৰ পাই থাকিব। এফালে যেনেকৈ বিদেশী নাগৰিকৰ চিনাক্তকৰণ আৰু বিতাৰণৰ ব্যৱস্থামতে জোৰেৰে প্ৰচেষ্টা চলোৱা হৈছে, তেনেকৈয়ে অসম আন্দোলন সংক্ৰান্তত বাকী থকা গোচৰ সমূহ উঠাই লোৱাৰ কাম সম্পূৰ্ণ কৰিবলৈ আৰু কোনো বৈষম্য নৰখাকৈ ক্ষতিগ্ৰস্ত লোক আৰু তেওঁলোকৰ আত্মীয় স্বজনক সাহায্য দিবলৈ বিশেষভাবে যত্ন কৰা হৈছে। ৰাজ্যখনৰ সাংস্কৃতিক, সামাজিক আৰু ভাষিক স্বকীয়তাৰ ৰক্ষা, সংৰক্ষণ আৰু বিকাশৰ বাবে লোৱা কেইটামান ব্যৱস্থা হ'ল শ্ৰীমন্ত শঙ্কৰদেৱ কলাক্ষেত্ৰৰ স্থাপন আৰু জ্যোতি চিত্ৰবনৰ সম্প্ৰসাৰণ। জ্যোতি চিত্ৰবনৰ সম্প্ৰসাৰণৰ বাবে কেন্দ্ৰীয় চৰকাৰে বিত্তীয় সাহায্য দিব বুলি প্ৰতিশ্ৰুতি দিছে। ৰাজ্য চৰকাৰে আশা কৰিছে যে কেন্দ্ৰীয়

চৰকাৰে প্ৰতিশ্ৰুতি দিয়া আৰু ইতিমধ্যে আগবঢ়োৱা অৰ্থ সাহায্যেৰে নুমলীগড়ত চতুৰ্থ তেলশোধানাগাৰ আৰু ভাৰতীয় কাৰিকৰী প্ৰতিষ্ঠানৰ এটা শাখাৰ স্থাপন দূৰৰ সপোন হৈ নাথাকিবগৈ । কেন্দ্ৰীয় চৰকাৰৰ বিত্তীয় সাহায্যেৰে শিলঘাট মৰাপাট কলৰ কাৰ্যকৰী পুনৰ্সংস্থাপন আৰু যোগীঘোপাৰ অশোক কাগজ কলৰ পুনৰুজ্জীৱনৰ বাবেও ৰাজ্য চৰকাৰে ব্যৱস্থা লৈছে ।

ৰাজহুৱা প্ৰতিষ্ঠান

ৰাজ্য চৰকাৰৰ ৰাজহুৱা প্ৰতিষ্ঠান সমূহৰ নিৰাশজনক অৱস্থা গভীৰ উদ্বেগৰ বিষয় হৈ আহিছে । ৰাজ্য চৰকাৰে এই প্ৰতিষ্ঠান সমূহত বিশাল পৰিমাণৰ বিনিয়োগ কৰিছে যদিও তাৰ বিনিময়ত যথেষ্ট লাভ অৰ্জন কৰিব পৰা নাই ।

অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ

ৰাজ্যিক বিদ্যুৎ পৰিষদো ইয়াৰ ব্যতিক্ৰম নহয় । ঘাইকৈ কাম-কাজত দক্ষতাৰ অভাৱ, অলাভদায়ক মাচুল ব্যৱস্থা, বিজুলী সংপ্ৰবাহ আৰু বিতৰণত অত্যাধিক লোকচান, নিৰ্মাণকাৰ্য্যত আৰু বিদ্যুৎ প্ৰকল্পৰ উৎপাদন আৰম্ভ হোৱাত বিলম্বৰ ফলত খৰচ বাঢ়ি যোৱা আৰু অন্যান্য তেনে কাৰণতে বিদ্যুৎ পৰিষদৰ বিত্তীয় অৱস্থা নিৰাশাজনক হৈছেগৈ । এই অৱস্থাটো সোনকালে ওৰ পেলাই তাত পৰিবৰ্ত্তন অনা দৰকাৰ । আনকি চলিত বছৰতো ৰাজ্য চৰকাৰক দিব লগা ১৬২ কোটি টকাৰ সূদ আৰু ৩২ কোটি টকাৰ স্বাভাৱিক মূল্য হ্ৰাস বাদ দিও ৰাজ্যিক বিদ্যুৎ পৰিষদৰ কৰ্ম আঁচনিত ১২৫.৪০ কোটি টকাৰ ঘাটি থাকি যোৱা পৰিলক্ষিত হৈছে । বিদ্যুৎ পৰিষদে কাম-কাজ চলাওঁতে যি অধিক পৰিমাণৰ খৰচ পৰে, সেই বিষয়টো পুংখানুপুংখভাৱে চালি-জাৰি চোৱাৰ দৰকাৰ হৈ পৰিছে । পৰিষদৰ বিজুলীৰ মাচুলৰ গাঁথনিটোৰ সংশোধন কৰাৰ কথা চৰকাৰে বিবেচনা কৰি আছে । ১৯৯০-৯১ চনৰ ১৫৫.৭৩ কোটি টকাৰ বিপৰীতে পৰিষদৰ ১৯৯১-৯২ চনৰ পৰিকল্পনাৰ বাবে ১৯৮.১৭ কোটি টকা ধৰা হৈছে ।

অসম পৰিবহণ নিগম

পথ পৰিবহন নিগমৰ কাম-কাজো এই দিশৰ পৰা মুঠেই সন্তোষজনক বুলিব নোৱাৰি । ১৯৯০-৯১ চনলৈকে ৰাজ্য চৰকাৰে তাত ৮২ কোটি টকা মূলধনী অৰিহণা হিচাবে বিনিয়োগ কৰিছে । নিগমৰ

১৯৯১-৯২ চনৰ কৰ্ম আচনিত সূদ হিচাপে দেনা পৰা ৪.০৬ কোটি টকা, ঋণ দিয়া প্ৰতিষ্ঠানক দিব লগা ৩০ লাখ টকা আৰু ৩.১০ কোটি টকাৰ স্বাভাবিক মূল্য হ্ৰাস নধৰাকৈও মুঠ ৮.৫৯ কোটি টকাৰ ঘাটি থাকি যোৱা দেখা গৈছে। ৮.৫৯ কোটি টকাৰ এই পৰিকল্পনা বহিৰ্ভূত ঘাটিখিনি ৰাজ্যিক বাজেটৰ পৰাই পূৰোবাৰ প্ৰস্তাব কৰা হৈছে। নিগমৰ কাম-কাজৰ জৰিয়তে অহা অনুমানিক ২১ কোটিমান টকাৰ ৰাজহৰ বিপৰীতে কাম-কাজ খিনি কৰিবলৈ খৰচ হয় প্ৰায় ২৮ কোটি টকা। অৰ্থাৎ নিগম চলোৱাৰ বাবদ ৭ কোটি টকাৰ লোকচান হয়। এই হতাশাজনক অৱস্থাটো উন্নত কৰিবৰ বাবে ভাড়া বঢ়োৱাৰ বিষয়ে চৰকাৰে চিন্তা কৰি আছে। ১৯৯০-৯১ চনৰ ৫.৫০ কোটি টকাৰ বিপৰীতে নিগমৰ ১৯৯১-৯২ চনৰ পৰিকল্পনা বৰাদ্দ ৫.৮৫ কোটি টকাত ধাৰ্য্য কৰা হৈছে। তদুপৰি বিশেষ পাৰ্বত্য পৰিকল্পনা আবণ্টনো ২৪ লাখ টকাত ৰখা হৈছে।

বিত্ত আয়োগ

মাননীয় সদস্য সকলে স্মৰণ কৰিব পাৰে যে যোৱা বছৰৰ বাজেট উত্থাপন কৰাৰ সময়ত ১৯৯০ চনৰ মাৰ্চ মাহত কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা নবম বিত্ত আয়োগৰ প্ৰতিবেদনৰ বিষয়ে উল্লেখ কৰা হৈছিল। অসমৰ দৃষ্টিকোণৰ পৰা চালে সেই প্ৰতিবেদন খনক মুঠৰ ওপৰত উদাৰ বুলি কব নোৱাৰি। আয়োগে আমাৰ ৰাজহৰ পৰিমাণটো বঢ়াই দেখুৱাইছে আৰু খৰচৰ পৰিমাণটো কমাই ধৰিছে। অসমকে ধৰি বিশেষ শ্ৰেণীৰ ৰাজ্যকেইখনক আয়-ব্যয়ৰ বিধিগত নিৰূপণৰ পৰিধিৰ পৰা বেলেগকৈ ৰাখিছে যদিও শেষ ফলাফলটো খুব বেছি বেলেগ হোৱাগৈ নাই। ৰাজহ বৃদ্ধি আৰু ব্যয়ৰ বেলিকা বিশেষ শ্ৰেণীভূক্ত ৰাজ্যকেইখনক উন্নত ৰাজ্য সমূহৰ লগত একে মাপকাঠিৰেই চোৱা হৈছে। ১৯৯০-৯৫ চনৰ কালছোৱাত ৰাজহৰ পৰিমাণ বছৰি ১১.৫ শতাংশকৈ আৰু ব্যয় ৭ শতাংশকৈ বৃদ্ধি পাব বুলি তাত ধৰি লোৱা হৈছে।

কেন্দ্ৰীয় কৰৰ ভাগ

- আয়কৰ ৰাজহত অসমৰ ভাগ ৮ম বিত্ত আয়োগৰ ২.৭৮৯ শতাংশৰ পৰা ২.৬৩১ শতাংশলৈ কমি আহিছে। একেদৰেই আবকাৰী ৰাজহৰ বেলিকাও অসমৰ ভাগ ৮ম বিত্ত আয়োগৰ ৪.০৫৮ শতাংশৰ

পৰা ৩.৮১০ শতাংশলৈ হ্রাস পাইছে। এই হ্রাসৰ কথাটো গুৰুত্বপূর্ণ, কিয়নো কেন্দ্রৰ পৰা হস্তান্তৰিত ৰাজহৰ বেছিখিনি আবকাৰী কৰৰ অংশৰ জৰিয়তেহে দিয়া হয়। বিক্রী কৰৰ পৰিবর্ত্তে পোৱা অতিৰিক্ত আবকাৰী শুল্কৰ বেলিকা অৱশ্যে অসমৰ অংশ ২.৫৬৬ শতাংশৰ পৰা ২.৭৪৩ শতাংশলৈ বাঢ়িছে। কিন্তু এই সামান্য পৰিমাণৰ বৃদ্ধিয়ে সামগ্রিক পৰিস্থিতিটো আমাৰ লাভ হোৱাকৈ সলাব নোৱাৰিলে আৰু তাৰ ফলত কেন্দ্রীয় কৰৰ ক্ষেত্রত অসমৰ অংশ মুঠ হিচাপত ৮ম বিত্ত আয়োগৰ ৩.৫০৮ শতাংশৰ পৰা ৩.৩৭৯ শতাংশলৈ হ্রাস পালে। ৮ম বিত্ত আয়োগে সামৰা ১৯৮৪-৮৯ চনৰ ১,২৫২ কোটি টকাৰ বিপৰীতে এতিয়া কেন্দ্রীয় কৰ আৰু শুল্কত আমাৰ ভাগত পৰা অংশটো হবগৈ ২৯৭০ কোটি টকা।

**মুঠ হস্তান্তৰ**

নবম বিত্ত আয়োগৰ সিদ্ধান্তমতে কেন্দ্রীয় কৰ, পৰিকল্পনা বহির্ভূত অনুদান, পৰিকল্পনা ঘাটি মঞ্জুৰী আৰু সাহায্যদানত হোৱা খৰচৰ মঞ্জুৰীৰ হিচাপত কেন্দ্রৰ পৰা ৰাজ্যখনলৈ হস্তান্তৰিত হোৱা ধনৰ মুঠ পৰিমাণ হয়গৈ ৩৯৫৬.৩০ কোটি টকা। শতাংশৰ হিচাবত ই ভগাব পৰা মুঠ ধনৰ ৩.৭৩ শতাংশ হয়গৈ। ৮ম বিত্ত আয়োগৰ সিদ্ধান্তৰ জৰিয়তে একেবোৰ শিতানতে কেন্দ্রৰ পৰা পোৱা ৰাজ্যৰ অংশটো আছিল ৪.০৭ শতাংশ আৰু টকাৰ হিচাপত ১৬০৭.৪৮ কোটি টকা।

**লেখত লবলগীয়া পৰিবৰ্ত্তন**

আগৰ কেবাখনো বিত্ত আয়োগৰ পৰামর্শৰ পৰা আঁতৰি গৈ নবম বিত্ত আয়োগে প্রশাসনৰ মান উন্নত কৰাৰ আচঁনি খন বন্ধ কৰি দিছে। একেদৰে ই অসমৰ জিলা পৰিষদ দুখনলৈ দি অহা বিশেষ সমস্যা মঞ্জুৰীও বন্ধ কৰি দিলে। নিঃসন্দেহে ই বিভিন্ন ৰাজ্যৰ আৰু বিভিন্ন অঞ্চলৰ মাজত থকা বৈষম্য বঢ়োৱাতহে সহায় কৰিব। আন এটা অস্বস্তিকৰ কথা হৈছে সম্পূর্ণ কৰা পৰিকল্পনা আচঁনিৰ বেলিকা অপৰিহার্য্য ব্যয়ৰ ধন যতনাই দিয়াৰ পূর্বৰ ব্যবস্থাৰ পৰা আঁতৰি অহাটো। সম্পূর্ণ হোৱা পৰিকল্পনা আঁচনিৰ পৰিচালনাৰ ব্যয় পূৰণ কৰিবলৈ আগৰ বিত্ত আয়োগে মুঠ পৰিকল্পনা ব্যয়ৰ ৩০ শতাংশ ৰাজহ শিতানত ধৰি দিছিল। এনেকুৱা অপৰিহার্য্য খৰচৰ বাবে

বিত্ত আয়োগে বেলেগে কোনো ধন ধৰা নাই । তাৰ পৰিবৰ্ত্তে পৰিকল্পনাৰ অধীনতেই তেনেবোৰ কাম-কাজ চলাই যোৱাৰ কথাহে কৈছে। কিন্তু তাৰ পিচতো পৰিকল্পনাৰ ব্যয় যিখিনি বঢ়াইছে সেইখিনি এই ধৰণৰ দায়িত্ব বহণ কৰিবৰ জোখাৰে যথেষ্ট নহয় । চৰকাৰী খণ্ডত আৰু বিশেষকৈ ৰাজ্যিক পৰ্য্যায়ত নিয়োগৰ ক্ষিপ্র বৃদ্ধিকো আয়োগে বৰকৈ সমালোচনা কৰিছে আৰু কৈছে যে ৮ম পৰিকল্পনাৰ কালছোৱাত চৰকাৰী খণ্ডত নিয়োগৰ সংখ্যা অলপো বাঢ়িব নালাগে । ইয়াৰ ফলত বিশেষকৈ ৰাজ্যখনৰ ব্যাপক নিবনুৱা আৰু অৰ্দ্ধনিয়োজনৰ সমস্যাত সুদূৰ প্ৰসাৰী জটিলতা সৃষ্টি হবলৈ বাধ্য ।

পৰিকল্পনা বহিৰ্ভূত ৰাজহ ব্যয়

১৯৯০-৯৫ চনৰ কালছোৱাত পৰিকল্পনা-বহিৰ্ভূত ৰাজহ ব্যয় ৭২৯৪ কোটি টকা হবগৈ বুলি আয়োগে হিচাপত ধৰিছে । আৰক্ষী, প্ৰতিপালন, বেতন আদিৰ বেলিকা এৰাব নোৱাৰাকৈ বাঢ়ি যোৱা খৰচৰ বাবে হোৱা প্ৰয়োজনৰ তুলনাত এই পৰিমাণ নিচেই কম ।

ঋণ ৰেহাই আৰু প্ৰাকৃতিক দূৰ্যোগ

আমাৰ ৰাজহুৱা ঋণৰ বোজা আৰু সম্পদৰ অবস্থালৈ চাই পাঁচ বছৰৰ বাবে আয়োগে ঋণ পৰিশোধৰ কাৰণে ধাৰ্য্য কৰা ৪৯.৬৯ কোটি টকা তেনেই কম । তেনেকৈয়ে পাঁচ বছৰৰ সময় ছোৱাত সাহায্যদানৰ বাবে আয়োগে ধাৰ্য্য কৰা ১৫০ কোটি টকাও আগৰ পাঁচ বছৰত প্ৰকৃততে খৰচ হোৱা ২৫০ কোটি টকাৰ তুলনাত অতিশয় কম ।

ৰাজহুৱা ঋণ

ৰাজ্যখনৰ ঋণগ্ৰস্ততাৰ সমস্যাটো সময় যোৱাৰ লগে লগে অতিশয় জটিল হৈ পৰিছেহি । ১৯৯০ চনৰ মাৰ্চ মাহৰ শেষত ৰাজ্যখনৰ পৰিশোধ নোহোৱাকৈ থকা ঋণৰ পৰিমাণ ৩৮৩৭ কোটি টকা হৈছিলহি । ঋণৰ সামগ্ৰিক বোজা আৰু বাঢ়ি ১৯৯১ চনৰ মাৰ্চৰ শেষত ৪৫০৫ কোটি আৰু ১৯৯২ চনৰ মাৰ্চৰ শেষত ৪৬০০ কোটি টকা হবগৈ বুলি অনুমান কৰা হৈছে । ১৯৮৯-৯০ চনৰ শেষত থকা ৩৮৩৭ কোটি টকাৰ ভিতৰত কেন্দ্ৰীয় চৰকাৰৰ পৰা লোৱা ঋণৰ পৰিমাণ হৈছিলগৈ ৩০৯৬ কোটি টকা অৰ্থাৎ প্ৰায় ৮১ শতাংশ । কেন্দ্ৰীয় চৰকাৰৰ পৰা লোৱা এই ঋণৰে আকৌ প্ৰায় ৪৮ শতাংশ, অৰ্থাৎ ১৪৯৪ কোটি টকা

আছিল পৰিকল্পনাৰ বাবে অনা ঋণ । ১৯৮৯-৯০ চনত ৰাজ্যখনৰ জনমূৰি ঋণৰ হিচাপটো আছিল ১৯১৮ টকা । ইয়াৰ পৰিমাণ ১৯৯০-৯১ চনত ২২৫২ টকা আৰু ১৯৯১-৯২ চনত ২৩০০ টকালৈ বৃদ্ধি পাব বুলি অনুমান কৰা হৈছে ।

ঋণ পৰিশোধ

১৯৮৯-৯০ চনত ঋণ পৰিশোধত হোৱা প্ৰকৃত খৰচৰ পৰিমাণ আছিল ৪৭৯ কোটি টকা । তাৰে ৪৭৯ কোটি টকা মূলধন পৰিশোধ কৰোতে আৰু ২৬৫ কোটি টকা সুদৰ হিচাপত খৰচ হৈছিল । কেবল কেন্দ্ৰীয় চৰকাৰৰ ঋণ পৰিশোধ কৰোতেই ৩৯৯ কোটি টকা ব্যয় হৈছিল, তাৰে ১৮৮ কোটি টকা খৰচ হৈছিল মূলধন পৰিশোধত আৰু বাকী ২১১ কোটি টকা খৰচ হৈছিল সুদৰ হিচাপত । ঋণ পৰিশোধ হোৱা খৰচৰ পৰিমাণ ১৯৯০-৯১ চনত ৫৪৪ কোটি টকালৈ আৰু ১৯৯১-৯২ চনত ৬৫৪ কোটি টকালৈকে বাঢ়ি যাব বুলি আনুমানিক হিচাপত পোৱা হৈছে । ১৯৯১-৯২ চনৰ পৰা কাৰ্যকৰী হোৱাকৈ কেন্দ্ৰীয় সাহায্যৰ গাথনিটো ৯০ শতাংশ অনুদান আৰু ১০ শতাংশ ঋণৰ হিচাপলৈ পৰিবৰ্ত্তন কৰি আমাৰ প্ৰতি দেখুওৱা উদাৰতাৰ বাবে এই সুযোগতে মই কেন্দ্ৰীয় চৰকাৰক ধন্যবাদ জনাইছো । এই পৰিবৰ্ত্তিত ব্যৱস্থাৰ সুফল অবশ্যে অহা বছৰবোৰত লাহে লাহেহে অনুভৱ কৰিব পৰা যাব ।

দৰমহা আয়োগ

১৯৮৮ চনৰ অসম দৰমহা আয়োগে ১৯৯০ চনৰ ৮ মে তাৰিখে নিজৰ প্ৰতিবেদন চৰকাৰৰ ওচৰত দাখিল কৰে । য'ত প্ৰয়োজন বুলি ভবা হৈছে তাতে সামান্য সালসলনি কৰি বেতন আয়োগৰ অনুমোদনাবলী চৰকাৰে গ্ৰহণ কৰিছে । সংশোধিত বেতনক্ৰম, মৰগীয়া বানচ, চহৰ ক্ষতিপুৰণ বানচ আৰু পেঞ্চনাৰ সকললৈ চিকিৎসা বানচকে ধৰি পেঞ্চনৰ সা-সুবিধা সমূহ ১৯৮৯ চনৰ ১ জানুৱাৰী তাৰিখৰ পৰা কাৰ্যকৰী কৰা হৈছে আৰু বাকী সকলো সা-সুবিধা ১৯৯০ চনৰ ১ এপ্ৰিল তাৰিখৰ পৰা দিয়া হৈছে । চৰকাৰে মানি লোৱা ন্যূনতম মাহিলী মূল দৰমহা হৈছে ৯০০ টকা আৰু উচ্চতম ৬৩০০ টকা । ইয়াৰ অনুপাত হয়গৈ ১ ঃ ৭ । সংশোধনৰ আগৰ বেতনক্ৰমৰ মূল দৰমহাৰ ২০ শতাংশত দৰমহা নিৰ্দ্ধাৰণৰ

আগবঢ়োৱা হৈছে। ১২ মাহৰ গড় মূল্য সূচীৰ শতাংশ বৃদ্ধিৰ বিপৰীতে বছৰত দুবাৰকৈ ১ জানুৱাৰী আৰু ১ জুলাইত পৰ্যায়ক্ৰমে মৰগীয়া বানচ দিবলৈও দিয়া হৈছে। মাহিলী ২০ টকাৰ নিৰ্দ্ধাৰিত পৰিমাণৰ চহৰ ক্ষতিপূৰণ বানচ দিয়া হৈছে। ৭.৫ শতাংশৰ (উচ্চতম ৩০০ টকা) পৰা ১২ শতাংশ (উচ্চতম ৬০০ টকা) লৈকে ঘৰভাড়া বানচো দিয়া হৈছে। ন্যুনতম ৪৫০ টকা আৰু উচ্চতম ৩১৫০ টকাৰ ভিতৰত শেষৰ দহ মাহৰ গড় মূল দৰমহাৰ ৫০ শতাংশত পেন্সনৰ নিৰিখ গ্ৰহণ কৰা হৈছে। বৰ্ত্তমানৰ পেন্সনাৰ সকলক পেন্সনৰ ১৫ৰ পৰা ২০ শতাংশলৈকে নিৰিখত পেন্সন বৃদ্ধিৰ সুবিধা দিয়া হৈছে। পৰিয়াল পেন্সন পোৱা সকলকে ধৰি পেন্সনাৰ সকললৈ কাম কৰি থকা চৰকাৰী চাকৰিয়ালৰ ক্ষেত্ৰত প্ৰযোজ্য একেটা নীতিতেই মৰগীয়া সাহায্য দিয়া হৈছে। পৰিয়াল পেন্সনৰ ন্যূনতম আৰু উচ্চতম নিৰিখ ক্ৰমে ৪৫০ টকা আৰু ৯০০ টকাত ধাৰ্য্য কৰা হৈছে। মৃত্যু তথা অৱসৰকালীন গ্ৰেচুইটিৰ উচ্চতম নিৰিখ ৩৬ হেজাৰ টকাৰ পৰা ৭২ হেজাৰ টকালৈ বঢ়োৱা হৈছে।

১-১-৮৯ তাৰিখৰ পৰা কাৰ্যকৰী হোৱা সংশোধনৰ বাবে বকেয়া হোৱা দৰমহা আৰু বানচ পৰ্যায়ক্ৰমে মোকলাই দিয়া হৈছে। ১-১-৮৯ৰ পৰা ৩১-৭-৯০ তাৰিখৰ হিচাপত হোৱা বকেয়াৰ ৫০ শতাংশ আৰু ১-৮-৯০ তাৰিখৰ পিচৰ হিচাপত হোৱা বকেয়াৰ সমুদায় ধন নগদ আদায় দিয়া হৈছে। বেতন আয়োগৰ অনুমোদনাৱলীৰ ফলত আঁসোৱাহৰ যিবোৰ অভিযোগ উঠিছে তাৰ পৰীক্ষা কৰিবলৈ শ্ৰীএচ, ডি, ফেনেৰ নেতৃত্বত এখন এজনীয়া কমিটী চৰকাৰে গঠন কৰিছে। কমিটীয়ে ইতিমধ্যে কাম আৰম্ভ কৰিছে।

বিত্তীয় দৃশ্যপট

বছৰে বছৰে একেৰাহে বাঢ়ি যোৱা পৰিকল্পনা আবন্টনৰ ফলত ঋণ পৰিশোধৰ ক্ষেত্ৰত হোৱা অভূতপূৰ্ব ব্যয় বৃদ্ধিৰ লগতে ৭০ শতাংশ ঋণৰ অসুবিধাজনক ব্যৱস্থা, কেৱল কেন্দ্ৰীয় ঋণ সাহায্যোৰে বান নিয়ন্ত্ৰণ আচঁনিৰ ৰূপায়ণ, আইন শৃঙ্খলা, শিক্ষা, স্বাস্থ্য আৰু অন্যান্য সামাজিক সেৱাৰ ক্ষেত্ৰত দ্ৰুতগতিৰে হোৱা ব্যয় বৃদ্ধিৰ উপৰিও নিতৌ বাঢ়ি যোৱা মূল্যমানৰ পিছে পিছে বিশাল আকাৰ

ধাৰণ কৰা বেতন ব্যয় আদিৰ সামগ্ৰিক ফলশ্ৰুতি স্বৰূপে ৰাজ্যখন সদ্যহতে এক জটিল বিত্তীয় সংকটত পৰিছেহি। এই পৰিস্থিতিত কেৱল সম্পদ বৃদ্ধিৰ আন্তৰিক চেষ্টাই নহয়, তেনেকৈ সৃষ্টি কৰা সম্পদৰ দক্ষতাপূৰ্ণ ব্যৱহাৰেৰো দৰকাৰ। ৰাজ্যৰ ৰাজহৰ এক ঘাই উৎস হৈছে বিক্ৰীকৰ। কিন্তু পেট্ৰলজাত সামগ্ৰী, চাহ আৰু প্লাইউড- ৰাজ্যখনৰ এই তিনিবিধ প্ৰধান উৎপাদানৰ পৰা অতিৰিক্ত সম্পদ আহৰণৰ সুবিধা নাই। তদুপৰি চুবুৰীয়া অঞ্চলত কৰ মুক্ত আৰু নিম্ন নিৰিখৰ কৰৰ এলেকা থকাৰ বাবে সা-সামগ্ৰী বাহিৰলৈ ওলাই যোৱাৰ আশঙ্কাই বিক্ৰীকৰৰ নিৰিখ বঢ়োৱাত আমাক বাধা দিয়ে। আবকাৰী শুল্কৰ ক্ষেত্ৰতো একেই অৱস্থা। তেলৰ ৰয়েলটি ৰাজ্যখনৰ কৰ-বহিৰ্ভূত ৰাজহৰ আন এটা ঘাই উৎস। কিন্তু তৈলক্ষেত্ৰ (নিয়ন্ত্ৰণ আৰু বিকাশ) আইন, ১৯৪৮ আৰু কেন্দ্ৰীয় বিক্ৰীকৰ আইন, ১৯৫৬ - এই আইন দুখনে ৰাজ্যখনৰ ওপৰত আৰোপ কৰা বাধ্যবাধকতাৰ বাবে এই উৎসও কম বেছি পৰিমাণে স্থবিৰ ধৰণৰ হৈ পৰিছেহি।

এনেবোৰ অসুবিধা সত্বেও অপচয় ৰোধত আৰু বকেয়া কৰ তথা ৰাজহ সংগ্ৰহত জোৰ দি সম্পদ বঢ়াই তোলাৰ উদ্দেশ্যে সৰ্বাত্মক প্ৰচেষ্টা চলাই যাবলৈ চৰকাৰ বদ্ধপৰিকৰ। ১৯৮০-৮১ বছৰটোত বিক্ৰীকৰ সংগ্ৰহৰ পৰিমাণ আছিল প্ৰায় ৩১ কোটি টকা। ১৯৯০-৯১ বছৰটোত সংগ্ৰহৰ পৰিমাণ ২৫৩ কোটি টকালৈ বৃদ্ধি পায়। ১৯৯১-৯২ বছৰটোৰ বাবে সংগ্ৰহৰ লক্ষ্য হৈছে ২৯০ কোটি টকা। অৰ্থাৎ আগৰ বছৰটোতকৈ ১৪ শতাংশ বেছি কৰ সংগ্ৰহৰ লক্ষ্য লোৱা হৈছে। তেনে ধৰণে, ৰাজ্যিক কৰ সংগ্ৰহৰ পৰিমাণ ১৯৮০-৮১ বছৰত পোৱা ৬৬ কোটি টকাৰ বিপৰীতে ১৯৯০-৯১ বছৰত ৪১৭ কোটি টকালৈ বৃদ্ধি পাইছে। ১৯৯১-৯২ বছৰটোৰ বাবে লক্ষ্য নিৰ্দ্ধাৰণ কৰা হৈছে ৫০৪ কোটি টকা। অৰ্থাৎ আগৰটো বছৰৰ তুলনাত ২১ শতাংশ বেছি।

খাৰুৱা তেলৰ ৰয়েলটি প্ৰতি টনত ১৯২ টকাৰ পৰা ৩১৪ টকালৈ বৃদ্ধি পাইছে। এই বৃদ্ধি ১৯৮৭ চনৰ পহিলা এপ্ৰিলৰ পৰা কাৰ্য্যকৰী হৈছে। অসমত বছৰি ৫ নিযুত মেট্ৰিক টন খাৰুৱা তেল

উৎপন্ন হয়। গতিকে ৰয়েলটিৰ হাৰ সংশোধনৰ পিছত বছৰি ৬৩ কোটিমান টকা অতিৰিক্ত সম্পদ আমাৰ ৰাজ্যলৈ আহে। ইয়াৰ ভিতৰতে, ১৯৯০ চনৰ পহিলা এপ্ৰিলৰ পৰা কাৰ্য্যকৰী হোৱাকৈ ৰয়েলটিৰ হাৰ আকৌ এবাৰ সংশোধন কৰিবলগীয়া হৈ আছে। এই উদ্দেশ্যে ভাৰত চৰকাৰে এখন কমিটি গঠন কৰি দিছে। সময়ে সময়ে হৈ থাকিবলগীয়া ৰয়েলটিৰ হাৰ সংশোধনৰ বাবে নিৰ্দ্দিষ্ট সূত্ৰ এই কমিটিয়ে উদ্ভাৱন কৰিব যাতে সংশোধনীৰ ব্যৱস্থা তদৰ্থ ভিত্তিত হৈ থাকিবলগীয়া নহয়। কেনেকুৱা সময়ৰ মূৰে মূৰে সংশোধনী হব লাগে সেই বিষয়েও কমিটিয়ে পৰামৰ্শ দিব। কমিটিয়ে ১৯৯১ চনৰ ৩০ ছেপ্তেম্বৰৰ ভিতৰত প্ৰতিবেদন দাখিল কৰাৰ কথা। আনহাতে, ৰাজ্য চৰকাৰেও এই সংক্ৰান্তত নিজৰ মতামত আৰু স্মাৰকপত্ৰ আদি চূড়ান্ত কৰাৰ বাবে মুখ্য সচিবৰ নেতৃত্বত এক উচ্চ পৰ্য্যায়ৰ কমিটি গঠন কৰি দিছে।

এতিয়া আহোঁ বন বিভাগৰ যোগেদি পোৱা ৰাজহৰ কথালৈ। ১৯৮০-৮১ বছৰটোত বন বিভাগৰ যোগেদি আহৰণ কৰা ৰাজহৰ পৰিমাণ আছিল ১২ কোটি টকা। তাৰে পৰা ক্ৰমান্বয়ে বাঢ়ি আহি ১৯৮৪-৮৫ বছৰটোত সৰ্বোচ্চ ২৫ কোটি টকালৈ বৃদ্ধি পায়। কিন্তু তাৰ পিছৰে পৰা বন ৰাজহৰ পৰিমাণ কমি আহিবলৈ ধৰে আৰু ১৯৯০-৯১ বছৰটোত ১২ কোটিলৈ নামি আহে। বন ৰাজহৰ এনে দ্ৰুত হ্ৰাস মানি লব নোৱাৰি। আনকি প্ৰাকৃতিক ভাৰসাম্য ৰক্ষাৰ বিবেচনাত হলেও এনেকুৱা হ্ৰাসৰ কাৰণ গ্ৰহণযোগ্য নহয়। আমি ভাবোঁ যে কাঠ, বালি, শিলৰ ওপৰত থকা ৰাজহৰ পৰিমাণ বৃদ্ধি কৰাৰ যোগেদিয়েই বন-ৰাজহৰ পৰিমাণ বঢ়াই তোলাৰ যথেষ্ট সম্ভাৱনা আছে। এনে সম্ভাৱনাক ভালদৰে কামত খটুৱালে ১৯৯১-৯২ বছৰটোত বন ৰাজহৰ পৰিমাণ ১৮ কোটি টকালৈ বৃদ্ধি পাব পাৰে।

ব্যয় সংকোচন

সকলো পৰ্য্যায়তে যি কোনো মূল্যৰ বিনিময়ত বিত্তীয় অনুশাসন বলবৎ কৰাৰ আৰু পৰিকল্পনা বহিৰ্ভূত ব্যয় একেবাৰে নিম্নতমকৈ ৰখাৰ দৰকাৰ যদিও সাম্প্ৰতিক অৰ্থনীতিত বিৰাজ কৰা মূদ্ৰাস্ফীতিজনিত পৰিস্থিতিয়ে দৰমহা আৰু মজুৰী দিয়াৰ ক্ষেত্ৰত,

মূলধনী সম্পদবোৰৰ চোবা-চিতাত, ঋণ পৰিশোধত আৰু ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান বোৰলৈ ধনৰ যোগান ধৰাত সামঞ্জস্যবিহীনভাবে খৰচ কৰিবলৈ চৰকাৰক বাধ্য কৰাইছে। ৰাজ্য চৰকাৰৰ নিয়ন্ত্ৰণৰ বাহিৰৰ কিছু কাৰণত আইন-শৃঙ্খলা ৰক্ষাৰ ক্ষেত্ৰতো ব্যয়ৰ পৰিমাণ ক্ৰমান্বয়ে বৃদ্ধি পাইছে।

দৰমহা

মূদ্ৰাস্ফীতিৰ ফলত অৰ্থনীতিৰ ওপৰত পৰা হেঁচাই ৰাজ্য চৰকাৰৰ কৰ্মচাৰী সকলক বৰ্দ্ধিত হাৰত দা-দৰমহাৰ দাবী তুলিবলৈ বাধ্য কৰাইছে। কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীসকলৰ দা-দৰমহা বঢ়োবাৰ সিদ্ধান্তই ৰাজ্যিক চৰকাৰী কৰ্মচাৰী সকলৰ দাবীৰ প্ৰতি উদগনি যোগাইছে। অৱশেষত ৰাজ্য চৰকাৰেও কৰ্মচাৰী সকলৰ দা-দৰ্মহা বঢ়োবাৰ দাবী মানি নলৈ নোবাৰে।

ৰক্ষণাবেক্ষণ

ৰাজ্য চৰকাৰৰ যিবোৰ মূলধনী-সম্পদ আছে, সেইবোৰ বহু কালজোৰা বহু খৰচৰ দ্বাৰা গঢ়ি তোলা সম্পদ। সেয়েহে সেইবোৰৰ ৰক্ষণাবেক্ষণৰ বিষয়টো অৱহেলা কৰা বিধৰ নহয়, কাৰণ সেইবোৰ ভাঙি পেলাই নতুনকৈ সাজিবলৈ সম্পদ পোৱাটো টান। কিন্তু সেই বিলাকৰ ৰক্ষণাবেক্ষণৰ কাৰণে বিত্ত আয়োগে দিয়া ধনৰ পৰিমাণ প্ৰয়োজনতকৈ কম হৈ আছে। বিশেষকৈ প্ৰতি বছৰে বান পানীয়ে বিপুল পৰিমাণে ক্ষতি সাধন কৰাৰ বাবে উক্ত ধনেৰে আমাক নাটে। বিত্ত আয়োগে অনুমোদন কৰাতকৈ বেছি ধন ৰাজ্য চৰকাৰে সেই সম্পদবোৰৰ সঠিক ৰক্ষণাবেক্ষণৰ উদ্দেশ্যে ব্যয় কৰিব লগীয়া হয়, যাৰ দ্বাৰা সম্পদৰ নিশকতীয়া ভঁৰালৰ অৱস্থা অধিক নিশকতীয়াহে হয়গৈ।

ৰাজ্য চৰকাৰে ৰাজহুৱা উদ্যোগ প্ৰতিষ্ঠানবোৰত বহু ধন বিনিয়োগ কৰে। কিন্তু তাৰে বেছিভাগেই আশা কৰা মতে লাভৰ মুখ দেখুবাব নোবাৰে। সেই উদ্যোগ সমূহৰ অৱস্থা এৰাতিৰ ভিতৰতে ভাল কৰি দিব পৰা নাযায়। আনহাতে, সেইবোৰৰ প্ৰয়োজনীয়তা আমি অস্বীকাৰ কৰিব নোবাৰো। যিয়ে নহওক, ৰাজহুৱা খণ্ডৰ উদ্যোগ বিলাকৰ এনে দুখ লগা অৱস্থাক লৈ চৰকাৰ

বাবুকৈয়ে উদ্বিগ্ন । চৰকাৰে ভাবে যে চৰকাৰী ধনৰ মঞ্জুৰীৰ ওপৰত ক্ৰমবৰ্দ্ধিত নিৰ্ভৰশীলতা গুচাবলৈ এই ৰাজহুৱা উদ্যোগ প্ৰতিষ্ঠান সমূহ নতুন ৰূপত সজাই-পৰাই তোলাৰ বাবে এক বিস্তৃত কাৰ্য্যসূচী গ্ৰহণ কৰাৰ দৰকাৰ হৈছে ।

বাঢি. অহা ব্যয়ৰ দায়িত্ব আৰু উন্নয়নৰ দায়বদ্ধতাই এৰাব নোৱাৰা ব্যয় আৰু উন্নয়নমূলক কাম-কাজৰ বাবে ধনৰ যোগান অব্যাহত ৰখাবলৈ চৰকাৰক ৰাজহুৱা ঋণ গ্ৰহণৰ পথ লবলৈ বাধ্য কৰাইছে । তাৰ ফলস্বৰূপে ৰাজ্যখন গধূৰ ঋণৰ বোজাত চেপা খাই থাকিবলগীয়া হৈছে । অতদিনে যিটো ধৰণে ৰাজ্যখনক পৰিকল্পনা বিত্তীয় সাহায্য দি থকা হৈছিল, কবলৈ গলে ঘাইকৈ সেই বিৰূপ ব্যবস্থাৰ ফলতেই বাস্তবিকতে ৰাজ্যখন এক 'ঋণৰ ফান্দ'ত পৰি আছে। ১৯৯১-৯২ বছৰৰ পৰা অসমক ৯০:১০ অনুপাতত মঞ্জুৰী আৰু ঋণ ধৰি পৰিকল্পনা সাহায্য দিয়াৰ ধৰণ সলনি কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে যি সিদ্ধান্ত লৈছে, সেইটো অতি আদৰণীয় ব্যবস্থা হৈছে । তথাপিও, আগৰবোৰ পৰিকল্পনাৰ সময়ৰে পৰা আদায় দিব নোৱাৰাকৈ থকা সমূদায় ঋণৰ ক্ষেত্ৰতো যদি একেধৰণৰ ব্যৱস্থা প্ৰযোজ্য নহয়, তেনেহলে পৰিবৰ্ত্তিত এই ব্যবস্থাটিয়েও ৰাজ্যখনৰ ৰাজকোষক ততালিকে আবশ্যকীয় ধৰণে উপকৃত কৰিব নোৱাৰিব ।

ৰাজ্যখনৰ বিত্তীয় অৱস্থাৰ যিখন ছবি ইয়াত দাঙি ধৰা হ'ল সেই ছবিখন নিঃসন্দেহে এক ভয়াবহ পৰিস্থিতিৰ ছবি । অবশ্যে এই পৰিস্থিতি আয়ত্বৰ বাহিৰত নহয় । মাননীয় সদস্য সকলক মই আশ্বাস দিব পাৰো যে ইয়াৰ এক সমাধান উলিয়াবলৈ কেন্দ্ৰীয় চৰকাৰৰ সৈতে আমি সততে যোগাযোগ অব্যাহত ৰাখিম । বহলাই নকলেও হ'ব যে কেবল কেন্দ্ৰীয় চৰকাৰৰ ওপৰতে নিৰ্ভৰ কৰি আমি বহি থাকিলেই নহব । আমি চৰকাৰী ব্যয়ৰ ক্ষেত্ৰত অত্যন্ত সাৱধানতা অৱলম্বন কৰিব লাগিব, অপব্যয় ৰোধ কৰিব লাগিব আৰু লগে লগে ৰাজহ সংগ্ৰহ বঢ়াই তুলিবলৈ সৰ্বতোপ্ৰকাৰে চেষ্টা কৰিব লাগিব । ৰাজনৈতিক দল-মত নিৰ্বিশেষে, এই ক্ষেত্ৰত মই মাননীয় সদস্য সকলৰ আতাইৰে পৰা সহযোগিতা বিচাৰিছো আৰু মই নিশ্চিত যে

ঐক্যবদ্ধভাৱে কাম কৰি এই প্ৰত্যাহ্বান আমি গ্ৰহণ কৰিবলৈ সক্ষম হ'মইঁক ।

অভাৰড্ৰাফট

বছৰৰ পিছত বছৰ ধৰি, কৰ্তৃত্ববিহীন অভাৰড্ৰাফটৰ সমস্যাটো ৰাজ্য চৰকাৰৰ বাবে বিশেষ উদ্বেগৰ কাৰণ হৈ আহিছে । বাঢ়ি অহা উন্নয়নমূলক দায়-দায়িত্বৰ বিপৰীতে ৰাজ্যখনৰ ৰাজহৰ পৰিমাণ সংগতিপূৰ্ণ কৰিব নোবাৰাটোৱেই এই অৱস্থাৰ আচল কাৰণ । ৰিজাৰ্ভ বেঙ্ক অফ ইণ্ডিয়াৰ পৰিসংখ্যামতে ১৯৮৬ চনৰ ৩১ মাৰ্চত বিত্তীয় ঘাটি আছিল ১১ কোটি টকা । এই ঘাটি ১৯৯০ চনৰ ৩১ মাৰ্চত ১৯৭ কোটি টকালৈ বাঢ়ি উঠে আৰু ১৯৯১ চনৰ মাৰ্চৰ শেহলৈ ১৩৬ কোটি টকা হয়গৈ । সেয়ে চলিত বছৰটো বুজন পৰিমাণৰ ঘাঁটিৰে আৰম্ভ হোৱাত ৰাজ্যৰ বিত্তীয় অৱস্থাত অসহনীয় হৈঁচা পৰিছে ।

আগতে অভাৰড্ৰাফটৰ জোৰা মাৰিবলৈ কেন্দ্ৰীয় চৰকাৰে মধ্যকালীন ঋণ দিছিল; কিন্তু ১৯৮৬ চনৰ পৰা এই ব্যৱস্থা উঠাই দিয়া হৈছে । অৱশ্যে ১৯৯০-৯১ বছৰটোত ৰাজ্য চৰকাৰে ১৪৮ কোটি টকাৰ মধ্যকালীন ঋণ এটা পাইছিল তথাপিও বুজন পৰিমাণৰ ঘাটিৰেহে যোৱা বছৰটোৰ সামৰণি পৰে । চলিত বছৰত আৰম্ভণিৰে পৰাই এই সমস্যাটোৱে দেখা দিছে । ইয়াৰ ঘাই কাৰণ হৈছে আগৰ বছৰটোৰ বৃহৎ পৰিমাণৰ ঘাটি এই বছৰলৈ বাগৰি অহা । এপ্ৰিলৰ পৰা জুলাইলৈকে মাজে মাজে অভাৰড্ৰাফট সমস্যাই দেখা দিছে যদিও ইয়াৰ মাজতে কেন্দ্ৰৰ পৰা আমি পাবলগীয়া কিছু ধন আগতীয়াকৈ মোকোলাই দিয়াত, জুলাই মাহত কেন্দ্ৰক পৰিশোধ কৰিবলগীয়া মুঠ ১০১ কোটি টকাৰ ঋণৰ কিস্তিৰ সময় ছেপ্টেম্বৰলৈকে পিছুৱাই দিয়াত আৰু বিত্ত মন্ত্ৰালয়ৰ পৰা কিছু অৰ্থোপায়মূলক আগধন লাভ কৰাত এই সমস্যাৰ পৰা হাত সাৰি থাকিব পৰা গৈছে । আমাৰ প্ৰতি এনে সুবিবেচনা দেখুওৱাৰ বাবে বিত্ত মন্ত্ৰালয়ৰ ওচৰত আমি কৃতজ্ঞ । পিছে, ইয়াৰ লগতে মই এইটোও কৈ থব বিচাৰো যে সমস্যাটো প্ৰকৃতাৰ্থত সমাধান হোৱাগৈ নাই ; গাপ দি থোৱাহে হৈছে আৰু সেয়েহে মাত্ৰাধিক খৰচ এৰাই চলিবলৈ অহা মাহবোৰত অত্যন্ত সাৱধানতা অৱলম্বন কৰাৰ প্ৰয়োজন হ'ব ।

অতিৰিক্ত সম্পদ আহৰণ

অতিৰিক্ত সম্পদ আহৰণ কৰাটো অৰ্থনৈতিক বিকাশৰ প্ৰয়োজনীয় কথা । ৰাজ্যখনৰ সংকটজনক বিত্তীয় পৰিস্থিতিলৈ চাই, মই আগতে উনুকিয়াই অহা অসুবিধাবোৰ থকা সত্বেও, অতিৰিক্ত সম্পদ আহৰণৰ বাবে ব্যৱস্থা হাতত লবই লাগিব । স্মৰণযোগ্য যে চাহ-খেতি কৰাৰ কাৰণে আৰু কয়লা নিস্কাষণৰ বাবে ব্যৱহৃত হোৱা মাটিৰ ওপৰত এক বছৰেকীয়া কৰ লগোৱাৰ উদ্দেশ্যে যোৱা বছৰ এই পবিত্ৰ সদনত অসম কৰ (নিৰ্দ্দিষ্ট ভূমিৰ ওপৰত) আইন, ১৯৯০ নামেৰে এখন আইন গৃহীত হৈছিল । এই ব্যৱস্থাৰ দ্বাৰা বছৰি ৬৮ কোটি টকাৰ অতিৰিক্ত ৰাজহ পাব পৰা হ'ব বুলি আশা কৰা হৈছিল । কিন্তু ইয়াৰ বৈধতাৰ প্ৰতি উচ্চতম ন্যায়ালয়ত প্ৰত্যাহ্বান জনোৱাত ই কামত অহা নাছিল । মই সদনক জনাবলৈ পাই সুখী হৈছো যে ন্যায়ালয়ে এতিয়া পূৰ্বৰ স্থগিতাদেশত কিছু সালসলনি ঘটাইছে । ফলস্বৰূপে চলিত বছৰত আমি আচলতে পাবলগীয়া ৰাজহৰ এটা অংশ হলেও মুঠতে ৩০ কোটিমান টকা পাম বুলি আশা কৰিছো । আনহাতে মোকৰ্দ্দমাৰ ফলত আমি পাবলগীয়া ৰাজহখিনি যাতে বন্ধ হৈ নাথাকে তাৰ বাবে বিষয়টো সোনকালে ন্যায়ালয়ৰ দ্বাৰা নিষ্পত্তি কৰোৱাৰ অৰ্থে আমি ইতিমধ্যে ব্যৱস্থা হাতত লৈছো ।

নিৰ্দ্দিষ্ট ভূমিৰ ওপৰত কৰ

গ্ৰাম্য উন্নয়ন উপকৰ

মাননীয় সদস্যসকলে ছাগৈ মনত পেলাব পাৰিব যে ১৯৮৮ চনত এই পবিত্ৰ সদনে খনিজ তেল উদঘাটন কৰা মাটিৰ ওপৰত বছৰেকীয়া উপকৰ বহুৱাবলৈ অসম গ্ৰাম্য উন্নয়ন উপকৰ আইন, ১৯৮৮ বুলি এটি ব্যৱস্থা গ্ৰহণ কৰিছিল । ১৯৮৯ চনৰ পহিলা জানুৱাৰীৰ পৰা বলবৎ হোৱাকৈ প্ৰণয়ন কৰা এই ব্যৱস্থাৰ যোগেদি ৰাজ্যখনে বছৰি ১৯৬ কোটি টকাৰ অতিৰিক্ত ৰাজহ পাব বুলি আশা কৰা হৈছিল । পিছে উচ্চতম ন্যায়ালয়ত প্ৰত্যাহ্বান জনোৱাত এই ব্যৱস্থাও কাৰ্য্যত পৰিণত নহ'ল । সদ্যহতে বিষয়টো ন্যায়ালয়ৰ শুনানীৰ অপেক্ষাত আছে । অৱশ্যে সদনক জনাবলৈ পাই মই সুখী হৈছো যে ইতিমধ্যে ভাৰত চৰকাৰে খনিজ তেলৰ ৰয়েলটি প্ৰতি মেট্ৰিক টনত ১৯২ টকাৰ পৰা ৩১৪ টকালৈ বৃদ্ধি কৰিছে, যিটো কথা মই আগতেও উল্লেখ কৰিছো । ১৯৮৭ চনৰ পহিলা এপ্ৰিলৰ পৰা

তেলৰ ৰয়েলটি

বলবৎ হোৱা এই সংশোধনীৰ ফলত ৰাজ্যখনে বছৰি ৬০ কোটি টকাৰ অতিৰিক্ত ৰাজহ পোৱাৰ বাট মুকলি হৈছে। আমি বিচৰাতকৈ এয়া কিছু কম যদিও ভাৰত চৰকাৰে এতিয়া ১৯৯০ চনৰ পহিলা এপ্ৰিলৰ পৰা কাৰ্য্যকৰী হোবাকৈ তেলৰ ৰয়েলটি সংশোধনৰ ব্যৱস্থা হাতত লোবাত আমি সুখী হৈছো। ৰাজ্যখনৰ ন্যায়সংগত দাবী আৰু প্ৰাপ্যৰ স্বাৰ্থক সুৰক্ষা দিবলৈ আমাৰ ফালৰ পৰাও ব্যৱস্থা গ্ৰহণ কৰি থকা হৈছে।

কয়লাৰ ৰয়েল্টি

সন্মানিত সদনে নিশ্চয় জানিব পাৰিছেই যে অলপতে ভাৰত চৰকাৰে কয়লাৰ ৰয়েল্টি বঢ়াই দিছে। কিন্তু অসম আৰু পশ্চিম বংগৰ ক্ষেত্ৰত বঢ়াই দিয়া হোৱা নাই। মই আগতেই উল্লেখ কৰিছো যে আমাৰ ৰাজ্যখনত কয়লা উৎপাদন হোৱা মাটিৰ ওপৰত আমি এটা কৰ বহুৱাবলৈ আগবাঢ়িছো। এইটো কাৰণতে অসমৰ ক্ষেত্ৰত কয়লাৰ ৰয়েল্টি বঢ়োৱা নাই। যিবিলাক ৰাজ্যত কয়লাৰ ওপৰত বহুওৱা কৰ উচ্চতম ন্যায়ালয়ৰ দ্বাৰা নাকচ কৰা হৈছে, সেইবিলাক ৰাজ্যৰ ৰাজহৰ সুৰক্ষা দিবলৈহে উক্ত ৰয়েলটিৰ হাৰ বঢ়োৱা হৈছে। সেইকাৰণেই আমি বিষয়টো চালি-জাৰি চাই আছো - আমি কয়লা উৎপাদন হোৱা মাটিৰ ওপৰত যি কৰ বহুৱাবলৈ আগবাঢ়িছো তাৰ সলনি যদি কয়লাৰ বৰ্দ্ধিত ৰয়েলটিৰ হাৰ গ্ৰহণ কৰো, তেনেহলে ভাল হব নে বেয়া হ'ব ? আমাৰ বাবে কোনটো সুবিধাজনক হ'ব ? অৱশ্যে আমাৰ কৰ বহুওৱাৰ যি অধিকাৰ আছে, সেই ক্ষেত্ৰত কোনো আপোচ কৰিবলৈ যোৱাটো আমাৰ উদ্দেশ্য নহয় আৰু যি কাৰণতেই নহওঁক কিয় ইয়াৰ বৈধতাৰ বিষয়টো সম্প্ৰতি আদালতত বিচাৰাধীন হৈ আছে।

কৃষি আয় কৰ

ৰাজ্যখনৰ এটা অন্যতম গুৰুত্বপূৰ্ণ ৰাজহৰ উৎস হৈছে চাহৰ পৰা পোৱা কৃষি আয় কৰ। যোৱা কিছু কালৰ ভিতৰত চাহৰ অত্যাধিক মূল্যবৃদ্ধি ঘটাত এই উদ্যোগত যথেষ্ট লাভ হৈছিল আৰু সেই লাভৰে এটা অংশ আদায় কৰাৰ উদ্দেশ্যৰে এই সদনৰ অনুমোদন ক্ৰমে চাহৰ ওপৰত কৃষি আয়কৰৰ পৰিমাণ সাময়িক ভাবে বঢ়াই দিয়া হৈছিল। যিবোৰ কাৰণত আয়কৰৰ হাৰ বঢ়াবলগীয়া

হৈছিল, সেই পৰিস্থিতিৰ বিশেষ কোনো পৰিবৰ্ত্তন এতিয়ালৈকে হোৱা নাই। সেয়েহে, অতিৰিক্ত সম্পদ আহৰণৰ ব্যৱস্থা হিচাপে বৰ্দ্ধিত কৃষি আয়কৰৰ হাৰ চলিত বছৰতো আমি অব্যাহত ৰখাৰ সিদ্ধান্ত লৈছো। ইয়াৰ বাবে যাবতীয় বিধানৰ ব্যৱস্থা সদনৰ চলিত অধিবেশনতে উত্থাপন কৰা হ'ব। প্ৰস্তাবিত ব্যৱস্থাৰ জৰিয়তে অতিৰিক্ত ৭ কোটি টকাৰ ৰাজহ আহিব বুলি আশা কৰা হৈছে।

মটৰ গাড়ী কৰ আৰু যাত্ৰী আৰু সামগ্ৰী কৰৰ পুনৰ বিন্যাস

ৰাজহৰ অপচয় ৰোধ কৰাৰ উদ্দেশ্যে যাত্ৰী আৰু সামগ্ৰী কৰৰ নিৰ্দ্ধাৰণ আৰু সংগ্ৰহৰ পদ্ধতি নিয়াৰি কৰাৰ বাবে আৰু একে উদ্দেশ্যেৰে মটৰ গাড়ী কৰৰ পুনৰ-বিন্যাস ঘটোৱাৰ বাবে আমি কেতবোৰ ব্যৱস্থা গ্ৰহণ কৰাৰ সিদ্ধান্ত লৈছো। ইয়াৰ বাবে সদনৰ অনুমোদন দৰকাৰ হব। যাবতীয় বিধান ব্যৱস্থা সদনৰ এই অধিবেশনতে উত্থাপন কৰা হব। এই ব্যৱস্থাৰ দ্বাৰা ৪ কোটিৰো বেচি টকাৰ অতিৰিক্ত ৰাজহ পোৱা যাব বুলি আশা কৰা হৈছে।

পঞ্জীয়ণ মাচুল

১৯৯০ চনৰ পহিলা জানুৱাৰীৰ পৰা প্ৰযোজ্য হোৱাকৈ ৰাজ্যখনৰ পঞ্জীয়ন মাচুলৰ নিৰিখ সুদীৰ্ঘ বিৰতিৰ পিছত বঢ়াই দিয়া হৈছে। চলিত বছৰৰে পৰা প্ৰতি বছৰে আমি এই ব্যৱস্থাৰ দ্বাৰা এক কোটিৰো অধিক টকাৰ অতিৰিক্ত ৰাজহ সংগ্ৰহ কৰিব পাৰিম বুলি ভাবিছোঁ।

ভূমি ৰাজহ

স্মৰণযোগ্য যে এই পবিত্ৰ সদনে যোৱা বছৰত আন এখন আইন গ্ৰহণ কৰিছিল। সেইখন হ'ল - অসম ভূমি ৰাজহ পুনৰ নিৰ্দ্ধাৰণ (সংশোধন) আইন, ১৯৯০। ইয়াৰ উদ্দেশ্য আছিল ভূমি ৰাজহৰ হাৰ সংশোধন কৰাৰ ক্ষেত্ৰত থকা কেতবোৰ বাধা-নিষেধ শিথিল কৰা। সেই আইন কাৰ্য্যত পৰিণত কৰিবলৈ ইতিমধ্যেই ব্যৱস্থা হাতত লোৱা হৈছে আৰু সোনকালেই ব্যৱস্থাৱলী চূড়ান্ত কৰা হ'ব। ইয়াৰ যোগেদিও প্ৰায় বছৰি এক কোটিমান টকাৰ অতিৰিক্ত ৰাজহ চৰকাৰৰ হাতলৈ আহিব বুলি ভবা হৈছে।

ক্ষুদ্ৰ সঞ্চয়

সদ্যহতে ক্ষুদ্ৰ সঞ্চয় আঁচনিবোৰ অতি জনপ্ৰিয় হৈ উঠিছে আৰু ভিতৰুৱা গাবঁৰ ৰাইজকো আকৰ্ষিত কৰিছে। যোৱা কিছু বছৰ

ধৰি ক্ষুদ্ৰ সঞ্চয়ৰ যোগেদি সংগ্ৰহৰ পৰিমাণ বিশেষভাৱে বাঢ়ি উঠা দেখা গৈছে। যোৱা বছৰটোত ক্ষুদ্ৰ সঞ্চয়ৰ যোগেদি মুঠ সংগ্ৰহৰ পৰিমাণ ১৬২ কোটি টকা হৈছিলগৈ। চলিত বছৰৰ বাবে লক্ষ্য ১৭০ কোটি টকা নিৰ্দ্ধাৰণ কৰা হৈছে। বৰ্ত্তমানে দেখা পোৱা সংগ্ৰহৰ ধাৰাৰ পৰা আশা কৰা হৈছে যে উক্ত লক্ষ্য অতিক্ৰম কৰিব পৰা যাব। ১৯৯১ চনৰ এপ্ৰিলৰ পৰা জুলাইলৈকে ৬৪ কোটি টকা সংগ্ৰহ কৰা হৈছে। ইয়াৰ বিপৰীতে যোৱা বছৰত এইখিনি সময়ৰ ভিতৰত ৩৭ কোটি টকাহে সংগৃহীত হৈছিল।

আনুষ্ঠানিক বিত্ত

উন্নয়নৰ গতি খৰতকীয়া কৰিবৰ বাবে সম্পদ আহৰণৰ ক্ষেত্ৰত বেংকসমূহকে ধৰি বিত্তীয় প্ৰতিষ্ঠান বিলাকৰ এক বিশেষ ভূমিকা আছে যদিও আমাৰ ৰাজ্যখনত তুলনামূলক ভাবে বেংকৰ শাখাৰ সংখ্যা কম। ৩১-১২-৯০ তাৰিখত অসমত অনুসূচীত বেংকৰ শাখা আছিল মুঠতে ১২৭৯ টা। গড় হিচাপত সেই তাৰিখত ৰাজ্যখনত একোটা বেংক - শাখাই সামৰি লোৱা জনসংখ্যা আছিল ১৭,৪৩১ জন। তাৰ বিপৰীতে সমগ্ৰ দেশৰ বাবে গড় জনসংখ্যা আছিল ১২,০০০ জন। উক্ত তাৰিখত বিভিন্ন বেংকত নতুন শাখা খুলিবৰ কাৰণে দিয়া প্ৰায় ৫৯ খন অনুজ্ঞাপত্ৰ পৰি আছিল। উক্ত পৰি থকা অনুজ্ঞাপত্ৰবোৰ সোনকালেই কামত খটুৱাবলৈ প্ৰচেষ্টা চলাই থকা হৈছে। বেংকৰ ঋণদানৰ পৰিমাণো সন্তোষজনক হৈ উঠিব পৰা নাই। ১৯৯০ চনৰ ডিচেম্বৰত জমা আৰু ঋণৰ অনুপাত আমাৰ ৰাজ্যত আছিল ৫৩.৬৬ শতাংশ, যি সময়ত ৰাষ্ট্ৰীয় অনুপাত আছিল ৬০ শতাংশ। এতিয়া তৃণমূল পৰ্য্যায়লৈকে অৰ্থনৈতিক উন্নয়নৰ বাবে ঋণৰ যোগান বঢ়াই তোলাৰ অৰ্থে বিত্তীয় প্ৰতিষ্ঠান সমূহৰ সৈতে নিবিড় সম্পৰ্ক গঢ়ি তোলাৰ চেষ্টা কৰি থকা হৈছে।

প্ৰকৃত হিচাপ ১৯৮৯-৯০

অধ্যক্ষ মহোদয়, মই এতিয়া হিচাপ আৰু বাজেট প্ৰাক্কলনলৈ আহিব খুজিছো। লেন-দেনৰ সংক্ষিপ্ত বিবৰণটো পৰিশিষ্ট দেখুওৱা হৈছে। ১৯৯০ চনৰ মাৰ্চ মাহত এই সদনত ১৯৯০-৯১ চনৰ বাজেট উত্থাপন কৰোঁতে ১৯৮৯-৯০ চনৰ বাবে কৰা সংশোধিত প্ৰাক্কলনত ৪৯ কোটি টকাৰ আৰম্ভণী ৰাহি দেখুওৱা হৈছিল। কিন্তু

পিছলৈ মহাগাণনিকে কেতবোৰ হিচাপ-পত্ৰ মিলাই লোবাৰ পিছত ১৯৮৯-৯০ চনৰ প্ৰকৃত আৰম্ভণী হিচাপটো হয়গৈ ৮২.৪১ কোটি টকা ঘাটিৰহে।

১৯৮৯-৯০ চনৰ সংশোধিত প্ৰাক্কলনত ৰাজহ শিতানত ১৩২ কোটি টকাৰ ঘাটি ওলাইছিল। কিন্তু এতিয়া ৰাজহ শিতানত প্ৰকৃত ঘাটিৰ পৰিমাণ হৈছেগৈ ১৩৬.৭০ কোটি টকা, অৰ্থাৎ ১৯৮৯-৯০ চনত এই শিতানত ঘাটিৰ পৰিমাণ বাঢ়িল। অৱশ্যে মূলধনী শিতানৰ লেন-দেনৰ ক্ষেত্ৰত সেই বছৰত সংশোধিত প্ৰাক্কলনত আশা কৰা ১৫২ কোটি টকাৰ বিপৰীতে ২১৮.২২ কোটি টকাৰ ৰাহি ওলাইগৈ। ৰাজ্যখনৰ জটিল বিত্তীয় পৰিস্থিতিলৈ চাই খৰচ পাতিৰ ওপৰত চৰকাৰে আৰোপ কৰা নিয়ন্ত্ৰণৰ ফলতেই যাইকৈ আশা কৰা ৰাহিৰ পৰিমাণত এই বৃদ্ধি হয়।

১৯৮৯-৯০ চনৰ বছৰটোৰ সামগ্ৰিক লেন-দেনৰ প্ৰকৃত ফলাফল হয়গৈ ১০৪.৮২ কোটি টকাৰ শুদ্ধ উদ্বৃত্ত। অৱশ্যে ৮২.৪১ কোটি টকাৰ আৰম্ভণী ঘাটিখিনি হিচাপত ধৰি ললে বছৰটোৰ প্ৰকৃত সামৰণী ৰাহিৰ পৰিমাণ হয়গৈ ২২.৪১ কোটি টকাহে।

সংশোধিত ১৯৯০-৯১

পোণতে কৰা বাজেট প্ৰাক্কলন মতে ১৯৯০-৯১ চনত বছৰটোৰ ভিতৰত সামগ্ৰিকভাবে ২৮৮.৮৭ কোটি টকাৰ ঘাটি হব বুলি ভবা হৈছিল আৰু আশা কৰা ৯৩.৬৪ কোটি টকাৰ আৰম্ভণী উদ্বৃত্ত হিচাপত ধৰি ১৯৫.২৩ কোটি টকাৰ ঘাটিৰে বছৰটো ওৰ পৰিবগৈ বুলি প্ৰথমতে ভবা হৈছিল। সংশোধিত প্ৰাক্কলনমতে সেই বছৰত সামগ্ৰিক ঘাটিৰ পৰিমাণ ৯৪.০৯ কোটি টকা হয়গৈ আৰু ২২.৪১ কোটি টকাৰ আৰম্ভণী উদ্বৃত্তখিনি হিচাপত ধৰি লোবাৰ পিছত ৭১.৬৮ কোটি টকাৰ ঘাটিৰে বছৰটোৰ ওৰ পৰে।

যাইকৈ বাকী পৰি থকা তেলৰ ৰয়েলটি পোৱাৰ বাবে আৰু ৰাজ্যিক কৰৰ সংগ্ৰহ উন্নত হোৱাৰ ফলত ১৯৯০-৯১ চনত ৰাজহ শিতানত সংশোধিত প্ৰাক্কলনমতে মূল বাজেট প্ৰাক্কলনতকৈ ২৫৩ কোটি টকাৰ বৃদ্ধি পৰিলক্ষিত হয়। আনহাতে যাইকৈ বেতন

সংশোধন, বিশ্ববিদ্যালয় অনুদান আয়োগৰ বেতন ক্ৰম কাৰ্যকৰী কৰা আদিৰ বাবে হোৱা অতিৰিক্ত দায়ৰ ফলত ১৯৯০-৯১ চনৰ ৰাজহ শিতানত ব্যয়ৰ পৰিমাণো ১৭৯.২৪ কোটি টকা বৃদ্ধি পোৱা দেখা যায়। সেয়ে সংশোধিত প্ৰাক্কলনত ৰাজহ শিতানত অৱশেষত ১৮৮ কোটি টকাৰ ঘাটিহে ওলায়গৈ।

যোৱা বছৰত অৰ্থাৎ ১৯৯০-৯১ চনৰ সংশোধিত প্ৰাক্কলনত একত্ৰিত নিধিৰ ভিতৰত মূলধনী শিতানতো আয় আৰু ব্যয় উভয় ক্ষেত্ৰতে যথাক্ৰমে ২৬৯.৬৪ আৰু ১৭২.২১ কোটি টকাৰ বৃদ্ধি দেখা যায়। মূলধনী শিতানত মুঠ লেন-দেনৰ হিচাপত বাজেট প্ৰাক্কলনত ওলোৱা ৫৬ কোটি টকা ঘাটিৰ বিপৰীতে ৪১.৮১ কোটি টকাৰ ৰাহি পৰিলক্ষিত হয়গৈ। বছৰটোৰ ভিতৰত লেন-দেনৰ সামগ্ৰিক শুদ্ধ ফলাফলো বাজেট প্ৰাক্কলনত ধৰা ২৮৮.৮৭ কোটি টকাৰ ঘাটিৰ বিপৰীতে সংশোধিত প্ৰাক্কলনত ৯৪.০৯ কোটি টকাৰ ঘাটি হয়হি। অৰ্থাৎ বাজেট প্ৰাক্কলনতকৈ ১৯৯০-৯১ চনৰ বছৰটোত প্ৰকৃততে ১৯৪.৭৮ কোটি টকাৰ উন্নতি দেখা যায়। ২২.৪১ কোটি টকাৰ আৰম্ভণী ৰাহি হিচাপত ধৰিলে ১৯৯০-৯১ চনৰ সংশোধিত প্ৰাক্কলনত ৭১.৬৮ কোটি টকাৰ সামৰণী ঘাটি ওলায়গৈ।

বাজেট ১৯৯১-৯২

১৯৯০-৯১ চনৰ সংশোধিত প্ৰাক্কলনৰ ১৮২৩.৭১ কোটি টকাৰ বিপৰীতে ১৯৯১-৯২ চনৰ বাজেটত ২৪৯৯.০৬ কোটি টকাৰ ৰাজহ প্ৰাপ্তি আশা কৰা হৈছে। যোৱা বছৰৰ অৰ্থাৎ ১৯৯০-৯১ চনৰ সংশোধিত প্ৰাক্কলনৰ তুলনাত হোৱা ৬৭৫.৩৫ কোটি টকাৰ এই বৃদ্ধি ঘাইকৈ হৈছে কেন্দ্ৰীয় চৰকাৰৰ পৰা অহা সাহায্য অনুদান, ৰাজ্যিক কৰ আৰু কেন্দ্ৰীয় কৰৰ ভাগ বঢ়াৰ ফলতে।

১৯৯১-৯২ চনৰ বাজেট প্ৰাক্কলনৰ ৰাজহ শিতানত খৰচ ধৰা হৈছে ২২৬৫.৬৫ কোটি টকা। ই যোৱা বছৰৰ অৰ্থাৎ ১৯৯০-৯১ চনৰ সংশোধিত প্ৰাক্কলনত ওলোৱা খৰচতকৈ ২৫৩.২২ কোটি টকা অধিক। এই হিচাপত ৰাজহ শিতানত ২৩৩.৪১ কোটি টকাৰ সম্ভাব্য ৰাহি ওলায়গৈ। মূলধনী শিতানত প্ৰাপ্তিৰ আনুমানিক পৰিমাণটো

হৈছেগৈ ৯৬৪.৫৩ কোটি টকা। ই যোৱা বছৰৰ সংশোধিত প্ৰাক্কলনৰ ১৪৪৩.৭৫ কোটি টকাতকৈ কম আৰু পৰিমাণটো কমি গৈছে পৰিকল্পনা পুঁজিৰ ক্ষেত্ৰত অনুদান আৰু ঋণৰ অনুপাত ৩০ : ৭০ ৰ পৰা ৯০ : ১০ লৈ সলনি কৰাৰ বাবে। মূলধনী শিতানত ১৪৭৫.৩০ কোটি টকাৰ ব্যয় হব বুলি অনুমান কৰা হৈছে। অৰ্থাৎ মূলধনী শিতানত ৫১০.৭৭ কোটি টকাৰ ঘাটি পৰিবগৈ। এই হিচাপত বছৰটোৰ সমুদায় লেন-দেনৰ পিছত ২৪১.৪৫ কোটি টকাৰ ঘাটি ৰবগৈ লাগে। ৭১.৬৭ কোটি টকাৰ আৰম্ভণী ঘাটিখিনিও হিচাপত সামৰি ললে ১৯৯১-৯২ চনৰ বছৰটো ৩১৩.১২ কোটি টকাৰ ঘাটিৰে ওৰ পৰিবগৈ বুলি ভবা হৈছে।

এইখিনিতে মনত পেলাব পাৰি যে ১৯৯১-৯২ চনৰ বছৰৰ বাবে সংসদত ছমাহৰ লেখানুদান উত্থাপন কৰোতে সামগ্ৰিক ঘাটিৰ পৰিমাণ ৩৫৩.৭৯ কোটি টকা পৰ্যন্ত হবগৈ বুলি অনুমান কৰা হৈছিল। এই পবিত্ৰ সদনত সদ্যহতে দাঙি ধৰা গোটেই বছৰৰ বাজেটত পৰিস্থিতিটো অলপ উন্নত হৈ সামগ্ৰিক ঘাটিৰ আনুমানিক পৰিমাণটো ৩১৩.১২ কোটি টকা হৈছেহি।

অধ্যক্ষ মহোদয়, এইখিনিকে কৈ মই ১৯৯১-৯২ চনৰ বাজেটখন এই পবিত্ৰ সদনৰ বিবেচনাৰ বাবে আগবঢ়াই দিছো।

# পৰিশিষ্ট

## লেন-দেনৰ সংক্ষিপ্ত বিৱৰণ

(হেজাৰ টকাৰ হিচাপত)

| | প্ৰকৃত ১৯৮৯-৯০ | বাজেট প্ৰাককলন ১৯৯০-৯১ | সংশোধিত প্ৰাককলন ১৯৯০-৯১ | বাজেট প্ৰাককলন ১৯৯১-৯২ |
|---|---|---|---|---|
| **ক ॥ প্ৰাপ্তি** | | | | |
| ১। একত্ৰিত পুঁজি | | | | |
| ৰাজহ হিচাপ | ১৫৩২,০৭,৪৭ | ১৫৬৯,৯৪,০১ | ১৮২৩,৭১,৪৪ | ২৪৯৯,০৬,৩০ |
| মূলধন হিচাপ | ১১০২,৯০,৪০ | ১১৭৪,১১,১৩ | ১৪৪৩,৭৫,৩০ | ৯৬৪,৫২,৬১ |
| মুঠ | ২৬৩৪,৯৭,৮৭ | ২৭৪৪,০৫,১৪ | ৩২৬৭,৪৬,৭৪ | ৩৪৬৩,৫৮,৯১ |
| ২। আকস্মিক নিধি হিচাপ | ..... | ...... | ৫৫,৮১,০০ | ৪,৪১,০০ |
| ৩। ৰাজহুৱা হিচাপ | ১৫৭৬,৫৩,৯৫ | ১৩৬৭,৪৩,০০ | ১৩৯৭,৪৩,০০ | ১৩৭৬,৫৬,০০ |
| সৰ্বমুঠ (১+২+৩) | ৪২১১,৫১,৮২ | ৪১১১,৪৮,১৪ | ৪৭২০,৭০,৭৪ | ৪৮৪৪,৫৫,৯১ |
| **খ ॥ ব্যয়** | | | | |
| ১। একত্ৰিত পুঁজি | | | | |
| ৰাজহ হিচাপ | ১৬৬৮,৭৭,৮৩ | ১৮৩৩,১৮,৭৯ | ২০১২,৪২,৭৬ | ২২৬৫,৬৪,৯২ |
| মূলধন হিচাপ | ৮৮৪,৬৮,০০ | ১২২৯,৭৩,৪৬ | ১৪০১,৯৩,৭৪ | ১৪৭৫,২৯,৫৫ |
| মুঠ | ২৫৫৩,৪৫,৮৩ | ৩০৬২,৯২,২৫ | ৩৪১৪,৩৬,৫০ | ৩৭৪০,৯৪,৪৭ |
| ২। আকস্মিক নিধি হিচাপ | ৫,৮১,০০ | ....... | ৫০,০০,০০ | ...... |
| ৩। ৰাজহুৱা হিচাপ | ১৫৪৭,৪৩,০২ | ১৩৩৭,৪৩,০০ | ১৩৫০,৪৩,০০ | ১৩৪৫,০৬,০০ |
| সৰ্বমুঠ (১+২+৩) | ৪১০৬,৬৯,৮৫ | ৪৪০০,৩৫,২৫ | ৪৮১৪,৭৯,৫০ | ৫০৮৬,০০,৪৭ |
| **গ ॥ বছৰটোৰ ভিতৰত লেন-দেন** | | | | |
| বাহি (+) / ঘাটি (-) | (+)১০৪,৮১,৯৭ | (-) ২৮৮,৮৭,১১ | (-) ৯৪,০৮,৭৬ | (-) ২৪১,৪৪,৫৬ |
| **ঘ ॥ আৰম্ভণিৰ হিচাপ** | | | | |
| বাহি (+) / ঘাটি (-) | (-) ৮২,৪০,৬৬ | (+) ৯৩,৬৪,৪৭ | (+) ২২,৪১,৩১ | (-) ৭১,৬৭,৪৫ |
| **ঙ ॥ সামৰণিৰ হিচাপ** বাহি (+) / ঘাটি (-) | (+) ২২,৪১,৩১ | (-) ১৯৫,২২,৬৪ | (-) ৭১,৬৭,৪৫ | (-) ৩১৩,১২,০১ |